চান্দমামা

অগাস্ট ১৯৯৫

nutrine
FRUITY TREAT!
nutrine
Fruit Roll
FREE!
Have loads of fun with Nutrine Fruit Roll
and mail 4 wrappers to ' Wrapper Fun ',
No.10, Leith Castle Road, Santhome,
Madras-28, for a free Time Table!
Nutrine sweets are also available without this offer.
nutrine
HARMONY / 181 – 95



চান্দমামা

মাহৰ পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে

ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ

৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ

এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,

মহান জীৱন কাহিনী, উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপূৰ

১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত

ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

চান্দমামা

*

অগাস্ট ১৯৯৫

এই * আছে

সংখ্যাত

*

হনা লওক	:	৭	দর্জি আৰু কবি	:	৩৭
পৃথিৱীৰ খিৰিকীৰে	:	৯	হেৰায় য'ত পায় ত'ত	:	৪২
সময়	:	১০	চান্দমামা-ক্রোড়পত্র	:	৫৩
অতুল-সুন্দৰী	:	১৭	মহাভাৰত	:	৪৫
চান্দমামা-সম্বাদ	:	২৪	তিতা হাঁহি-মিঠা হাঁহি	:	৫৭
যোগ্য অভিলাষ	:	২৫	প্রধান শত্রু	:	৬২
ভাৰতৰ দুৰ্গ	:	৩৩			

*

ফটো-প্রতিযোগিতা-পুৰস্কাৰ : ৬৫

চান্দমামা : খনে : ৫'০০ টকা মাথোন

বছৰেকীয়া বৰঙনি : ৬০'০০ টকা মাথোন


Electronic accompaniment for screams, shouts and yodels.
They're here! An international range of safe, electronic playthings. Toys that sing, dance, walk, talk, shriek and climb. From Mum Toys. Just right for that li'l livewire at home.
RAP DANCER
Handy inspiration for budding showmen... Yo!
BIRTHDAY CAKE PIANO
Happy birthday tunes for the young-at-heart
POWER SAUCER TOP
Space-age spinners for underage earthlings
PIANO PENCIL BOX
The sound of music for young warblers
RAP CASSETTE
Foot-tapping rhythms for the Michael Jackson wannabe
MUM TOYS
HEAD OFFICE: M.M.Toys Industries Ltd., 5, Chandra Bagh Avenue, Mylapore, Madras-4. Ph: 835151, Fax: 843919.
8018.96

পোলিঅ’প্লাছ

শিশুইঁতলৈ ব্যাধিবিহীন মুক্তজীৱনৰ সুস্পষ্ট আশ্বাস

কেতিয়া কিমান ছিটা দিব লাগিব



ছিটা কেতিয়াৰপৰা আৰম্ভ কৰিব	ছিটাৰ নাম	ৰোগৰ নাম	কিমান বাৰ দিব লাগিব
জন্মৰ লগে লগে	**বি ছি জি**	**যক্ষ্মা**	এবাৰ মাথোন
৬ সপ্তাহ	**পোলিঅ’**	**পোলিঅ’**	তিনি বাৰ (কমেও এমাহৰ বাদে বাদে)
৬ সপ্তাহ	**ডি পি টি**	**ডিপথেৰিয়া** **পার্টুছিছ** (আজোৰা কাহ) **টেট্যানাছ** (ধনুষ্টংকাৰ)	তিনি বাৰ (কমেও এমাহৰ বাদে বাদে)
৯ মাহ	**মিজলজ**	সৰু আই	এবাৰ মাথোন

জন্মৰ বাৰ মাহৰ ভিতৰতে শিশুক সকলো ধৰণৰ ছিটা সম্পূৰ্ণকৈ দিব লাগিব।

গৰ্ভৱতীসকলে গৰ্ভধাৰণৰ শেষৰ ফালে দুবাৰ টেট্যানাছ (টি টি) ছিটা লোৱা আৱশ্যক। প্ৰথমবাৰ ছিটা লোৱাৰ এমাহৰ অন্তত দ্বিতীয়বাৰ ল’ব।

সুস্থ শিশু—জাতিৰ আশা আৰু গৌৰৱ

চান্দমামা

সংস্থাপক : চ ক্র পা ণি   সঞ্চালক : বি নাগিৰেড্ডি

হনা লওক

আজি-কালি 'মুক্ত ক্রীড়াংগণ' বা 'মুকলি খেল-পথাৰ', 'ইন্ ডোৰ স্টেডিয়াম্', 'ইন্ ডোৰ গেমছ' আদি কথাবোৰ সকলোতে কোৱা হয়, শুনা হয়। কিন্তু—খেল-ধেমালি একেবাৰে প্ৰকৃত শ্ৰেণীকক্ষতো (ক্লাছৰুম) সোমাবগৈনে ? স্কুলীয়া ছিল্যাবাছ হিচাপে ?

স্কুলৰ ৰুটিনত সাধাৰণতে—গণিত, ভুগোল, বিজ্ঞান, ইতিহাস বা ইংলিছ, অসমীয়া আদিৰ 'পিৰিয়ড' হিচাপে উল্লেখ কৰা হয়। লগতে চিত্ৰাংকণ, সংগীত, ক'ৰবাত—নৃত্য বা লাইব্ৰেৰিত পঠনৰ সময় আৰু আধাঘণ্টা বা চল্লিহ মিনিটৰ বাবে 'পাঠ্যপুথি-পাহৰণী' ই-খেল বা সি-খেল—ফুটবলেই হওক বা হৈ-গুডু—নিৰ্দিষ্ট থাকে।

কিন্তু সোঁ সিদিনা কটকত এগৰাকী কেন্দ্ৰীয় মন্ত্ৰীয়ে পৰৱৰ্তী শিক্ষাবৰ্ষৰপৰা খেল-ধেমালিক স্কুলীয় ছিল্যাবাছৰ অন্তৰ্ভুক্ত কৰিবলৈ কমিটি গঠন কৰাৰ কথা ঘোষণা কৰিলে। জয়জয়তে এই ব্যৱস্থা চৰকাৰী কেন্দ্ৰীয় বিদ্যালয় আৰু নৱোদয় বিদ্যালয়সমূহত প্ৰচলন কৰা হ'ব, পাছত—উদক দেখি বোন্দাই ডুবিউৱাৰ দৰে অনাচৰকাৰী ক্ষেত্ৰত 'লাহে লাহে' প্ৰচলন কৰা হ'ব বুলি কৈছে।

কৈছে যে খেল-ধেমালিও হ'ব অন্যতম আৱশ্যিক পঠিতব্য বিষয়। ফুটবল খেলোঁতে বা ক্ৰিকেট খেলোঁতে কি কি কৰিব লাগে, কি কি কৰিব নালাগে—এইবোৰ নিয়ম-কানুন খৰচি মাৰি শিকোৱা হ'ব নিশ্চয়। আমাৰ আশা, খেলা-ধূলাত অতি উন্নত দেশৰ শিক্ষা-ব্যৱস্থা—যদি আমাৰ পক্ষে ভাল হয়—গ্ৰহণ কৰা হওক।

কেৱল খেলা-খেলা—হাতীক হাতেৰে ঠেলা নহয় যেন।

বছৰ : ২০   অগাস্ট ১৯৯৫   সংখ্যা : ৫

খনে ৫·০০ টকা :: বছৰেকীয়া বৰঙনি ৬০·০০ টকা

প্ৰাইমৰ
বিজয়
ৰেখা
PRIME LEADER
PRIME GENIUS
MATHEMATICAL DRAWING INSTRUMENTS
PRIME RANK
PRIME MERIT
আগবঢ়োৱা হৈছে অতি উৎকৃষ্ট মানৰ এক কম্পাচ বক্স যাক অতি মাত্ৰা শুদ্ধতা, সম্পূৰ্ণ নিয়ন্ত্ৰণ আৰু বেচি দক্ষতা দিবৰ বাবে বিশেষভাৱে ডিজাইন কৰা হৈছে।
আপোনাৰ কণমাণি প্ৰতিভাময় সন্তানটিৰ হাতত তুলি দিয়ক প্ৰাইমৰ সুবিধা। দেখিব, সকলো এৰি ইয়েই হৈ পৰিছে তেওঁৰ সৰ্বক্ষণৰ লগৰী।
প্ৰাইম মেৰিট
প্ৰাইম ৰেঙ্ক
প্ৰাইম জিনিয়াচ
প্ৰাইম লীডাৰ
◂ মেথেমেটিকেল ড্ৰইং ইন্সট্ৰুমেন্ট ▸
PIDILITE PRODUCTS

PID 63 95 ASS

পৃথিৱীৰ খিৰিকীৰে

বেকাৰি-বিদূৰ-কাম

শ্বিৰাক তেওঁৰ নাম

মে' মাহৰ ১৭-ৰ দিনা ফৰাছিদেশে এগৰাকী নতুন ৰাষ্ট্ৰপতি পালে—তেওঁ হ'ল মঁচিয় জাক শ্বিৰাক। দলৰ ৰক্ষণশীল এই গ্য গ্যলপন্থী নেতাগৰাকীয়ে ছোচিয়েলিষ্ট প্ৰাৰ্থী লিয় যোছেকিনক ৫২-ৰপৰা ৪৮%ভোটত পৰাজিত কৰিলে। মঁচিয় শ্বিৰাকৰ এই বিজয়ে ফৰাছি দেশত মঁচিয় ফ্ৰাংক' মিতেৰাঁৰ ১৪ বছৰীয়া সমাজবাদী শাসনৰ অন্ত পেলালে। মঁচিয় মিতেৰাঁ আছিল দ্বিতীয় বিশ্বযুদ্ধ-পৰৱৰ্তী-কালৰ দীৰ্ঘকালীন ৰাষ্ট্ৰপতি। তেওঁ মঁচিয় শ্বিৰাকক ১৯৮১ আৰু ১৯৮৮ চনৰ নিৰ্বাচনত পৰাজিত কৰিছিল। এইবাৰৰ নিৰ্বাচনৰপৰা—ভগ্নস্বাস্থ্যৰ কাৰণে তেওঁ আঁতৰি থাকিল।

দ্বিতীয় বিশ্বযুদ্ধৰ অন্তত (১৯৩৯-১৯৪৫) জেনাৰ‍্যাল চাৰ্লছ দ্য গ্যল ৰাষ্ট্ৰপতি নিৰ্বাচিত হৈছিল আৰু যুদ্ধ-বিধ্বস্ত জাতিক তেওঁ পুনৰ্গঠিত কৰিবলৈ প্ৰয়াসী হোৱা সত্বেও তেতিয়াৰ ইন্দো-চায়না (বৰ্তমানৰ ভিয়েটনাম, ক্যাম্বোডিয়া আৰু লাওছ) আৰু আলজেৰিয়া সমস্যাত জৰ্জৰিত হৈ সুফলদায়ী একো কৰিব পৰা নাছিল। তেওঁ উপৰি-উক্ত ফৰাছি-উপনিৱেশসমূহক স্বাধীনতা প্ৰদান কৰি আৰু ১৯৬৮ চনত পদত্যাগ কৰিলে; কিন্তু 'গ্যলপন্থী' ৰাজনীতিৰ প্ৰভাৱ থাকিয়েই গ'ল।

১৯৮১ চনত যেতিয়া মঁচিয় মিতেৰাঁ ৰাষ্ট্ৰপতি নিৰ্বাচিত হ'ল, তেতিয়া ফৰাছি জাতিয়ে এই কথা ভাবি আনন্দিত হৈছিল যে ইমান দিনৰ অন্তত কিবা ধৰণৰ উল্লেখযোগ্য পৰিৱৰ্তন নিশ্চয় হ'ব, ফৰাছিদেশে 'স্বৰ্ণালী ভৱিষ্যৎ' পাব; কিন্তু তীব্ৰ বেকাৰত্বই ফৰাছি জন-সমষ্টিৰ আশা বিলীন কৰিলে, দেশৰ অস্বাভাৱিক মুদ্ৰাস্ফীতি আৰু বেকাৰীৰ অৱসান, আনকি সংস্কাৰো নহ'ল।

আৰু মঁচিয় মিতেৰাঁৰ ৰাষ্ট্ৰপতিত্বৰ ১৪ বছৰৰ অন্তত ফৰাছি জনগণে মঁচিয় শ্বিৰাকক এই তৃতীয় বাৰৰ বাবে ৰাষ্ট্ৰপতিৰূপে নিৰ্বাচিত কৰিলে। ফৰাছি জনসাধাৰণে এইবাৰ 'নালাগে আমাক সমাজবাদ' বুলি চিঞৰিছিল।

১৯৯৩-ৰ পাৰ্লামেণ্টাৰি নিৰ্বাচনত গ্যলপন্থী ৰক্ষণশীল দলৰ মঁচিয় এডুৱাৰ্দো বালাদ্যু প্ৰধানমন্ত্ৰী ৰূপে নিৰ্বাচিত হৈছিল, আৰু সমাজবাদী মিতেৰাঁৰ ৰাষ্ট্ৰপতিত্বৰ কালছোৱাত ৰক্ষণশীল বালাদ্যুয়ে বেকাৰীৰ সংখ্যা কিঞ্চিত হ্ৰাস কৰিব পাৰিছিল। এই বাৰৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত তেৰোঁ প্ৰাৰ্থী হৈছিল, কিন্তু তেওঁ পৰাজিত হ'ল।

তেওঁৰ ৩০ বছৰীয়া ৰাজনৈতিক জীৱনত ৬২ বছৰীয়া মঁচিয় শ্বিৰাক দুই বাৰ ফৰাছি দেশৰ প্ৰধানমন্ত্ৰীৰ পদো অলংকৃত কৰিছিল ১৯৪৭ আৰু ১৯৭৬ চনত। তাৰো আগতে তেওঁ আছিল কৃষি-মন্ত্ৰী। তেওঁৰ কৃষিমন্ত্ৰীত্বৰ আমোলত ফৰাছিদেশ হৈ উঠিছিল পৃথিৱীৰ আপেল ৰপ্তানীকাৰী দেশ-সমূহৰ মাজত অগ্ৰগণ্য। সেই আপেলেই আছিল এইবাৰৰ ৰাষ্ট্ৰপতীয় নিৰ্বাচনত তেওঁৰ প্ৰতীক-চিহ্ন।

ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচনৰ পাছত মঁচিয় শ্বিৰাকে কৈছে: আমাৰ প্ৰধান কাৰ্য্যৰ এটি নাম আছে, সেই নাম হ'ল'—বেকাৰি-বিদূৰ-কাম'।

সময়

কথাতে বোলে—ঘোঁৰাক চিনি কাণত, তিৰিক চিনি টানত, খুৰক চিনি শাণত। আৰু মানুহক চিনি—কামত। সুকৰ্মৰো কামেই কৈ দিয়ে, সুকৰ্ম কেনে—এয়া ৰাইজৰ অভিমত। যাক যি সহায় লাগে, সুকৰ্মই কৰি-ধৰি দিয়ে। আৰু এই কৰা-ধৰাৰ বাবে সুকৰ্মৰ মাজত কোনো গৰ্ব-অহংকাৰৰ লেশমানো কোনেও কাহানিও নেদেখে-নুশুনে-নগমে।

কিন্তু সমাজ-বন্ধু সুকৰ্ম এদিন বয়সস্থ হ'ল। চুলিখিনি লাহে-ধীৰেকৈ হ'লেও বগা হ'বলৈ ধৰিলে আৰু ৰাইজো আৰু আগৰ দৰে সুকৰ্মৰ কাষ নচপা হ'ল। গাঁৱৰ ৰাইজ এতিয়া নৰকণ্ঠ নামৰ চফল ডেকাল'ৰাজনৰ কাষ চপা হ'ল—ই-কাম সি কাম বিভিন্ন বিভিন্ন কামৰ বাবে।

কথানো কি? হঠাৎ ৰাইজৰ কি হ'ল? মতিভ্ৰমনে মগৰামি? ৰাইজৰ—হঠাৎ এই মকৰা-হিচাপৰ কাৰণ কি? হঠাৎ মতি-বুদ্ধি বিগৰিল কিয়?

এই কথাত সুকৰ্মৰ মনত বেজাৰ। সুকৰ্মই মনৰ বেজাৰৰ কথা তেওঁৰ পৰিবাৰক কোৱাত পৰিবাৰে ক'লে, "গাঁৱৰ ৰাইজ আপোনাৰ প্ৰতি অতি শ্ৰদ্ধাবান। কিন্তু আপুনি বয়সস্থ হোৱাত আপোনাক আগৰ দৰে আৰু জলা-কলা নকৰা হ'ল, নৰকণ্ঠৰ কাষ চপা হ'ল। এই কথাত আপুনি মিছামিছি এনেকৈ মনে-পতা বেজাৰ পাব নালাগে।"

পৰিবাৰৰ যুক্তিপূৰ্ণ কথাতো সুকৰ্মই আমনি পোৱা যেন পালে আৰু ক'লে, "যোগ্যতাৰ ডেকা-বুঢ়া কি? নৰকণ্ঠ যুৱা,

আশা নেওগ

কিন্তু মহেঁ তো কৰিব নোৱৰা কাম নেদেখোঁ। আৰু — নৰকণ্ঠই যিবোৰ কৰিছেও বা, মোৰ দৰে কৰিব পাৰিছেনে? মোৰ আৰু তাৰ মাজত কোনো তুলনা নচলে যে—সেই কথা এইখন গাঁৱৰ ৰাইজেও নজনা-নুবুজা নহয়।"

তেতিয়া পৰিবাৰ সূৰ্য্যা চুপ হৈ থাকিল। কিন্তু পাছত সূৰ্য্যাই গিৰিয়েকৰ বেজাৰৰ কথা চুবুৰীয়াৰ দুই-চাৰিজনক কোৱাত তেওঁলোক ক'লে, "কথা—হওঁতে বৰ আচৰিতেই, এনেবোৰ কথাত বেজাৰ পোৱা মানুহ তেওঁ আগে নাছিল, এতিয়াহে হ'ল। পিছে—'অতি আৱশ্যক হ'লেহে কিবা কামত মোৰ ওচৰলৈ আহিবা' বুলি আমাক কোৱাত আমি এতিয়া আৰু আগৰদৰে তেওঁৰ ওচৰলৈ নোযোৱা হ'লোঁ। আৰু—তেওঁৰ বয়সো —যদিও ক'ব নাপায়, তথাপি সঁচাকৈয়েই কওঁ—হ'ল। গতিকে আমি আগৰদৰে তেওঁক দিগ নিদিওঁ বুলিহে নাযাওঁ।"

আৰ-তাৰ মুখে সুকৰ্মই এই কথা-খিনিও জানিলে আৰু বৰ দুখ পালে এই কথা ভাবি যে—বয়সৰ লাগ লগে মানুহে মানুহক এৰাই চলেনে? কিন্তু—পকা-চুলীয়া হোৱা সত্বেও তেওঁ যে এতিয়াও কৰ্মিষ্ঠ হৈ আছে, সেই কথা ৰাইজে



জানক—এয়ে হ'ল সুকৰ্মৰ মনৰ ইচ্ছা।

আৰু এই ইচ্ছা পূৰণৰ সুযোগও এদিন ওলাল। এদিন গাঁওবুঢ়াৰ ঘৰৰ পিৰালিত বহি গাঁওবুঢ়া আৰু আন কেইজনমানৰ লগত মেল মাৰি থাকোঁতে—অলপ পাছত নৰকণ্ঠ তালৈ আহিল। প্ৰায় লগে লগেই চুবুৰীয়া গাঁৱৰ জমিদাৰৰ মানুহ এজনো আহিল। গাঁওবুঢ়াই জমিদাৰৰ মানুহজনক ক'লে, "আপুনি—হঠাৎ আমাৰ ইয়াত—"

জমিদাৰৰ মানুহজনে হাত দাঙি গাঁওবুঢ়াক ৰখালে আৰু ক'লে, "আমাৰ জমিদাৰ ডাঙৰীয়াৰ য'ত যিমান মাটি আছে, প্ৰজা আছে—সেই মাটিৰ তথা

প্ৰজাই দিবলগা খাজনাৰ হিচাপ এই হাতেলিখা বহীখনত আছে। বহীখনৰ পৃষ্ঠাসংখ্যা তিনিশমান হ'ব। এই বহীখনত থকা হিচাপৰ ভুল-ভ্ৰান্তি উলিয়াই শুধৰাব লাগে বুলি আপোনাৰ কাষ চাপিছোঁ। এজন যোগ্যতা অৰ্হতা থকা মানুহ দিয়ক।"

"মই—!" গাঁওবুঢ়াই আচৰিত মানি ক'লে, "মোৰ নিজৰ তো কথাই নাই—একেবাৰে হৰমোহন পণ্ডিত—গতিকে—"

আকৌ হাত দাড়ি গাঁওবুঢ়াক ৰখাই মানুহজনে ক'লে, "আপোনালোকৰ গাঁৱত সুশিক্ষিত ব্যক্তি আছে যে—সেই কথা আমি কিন্তু নজনা নহয়।"

গাঁওবুঢ়াই নৰকণ্ঠলৈ চালে।

নৰকণ্ঠই গাঁওবুঢ়াক ক'লে, "পাৰিম। কৰি দিম। পিছে—মোক কমেও পোন্ধৰ দিন সময় দিব লাগিব। ইমান ডাঙৰ বহীখনৰ শুধৰণী—তাতকৈ আগতে কৰিব পৰা নহ'ব।"

কিন্তু জমিদাৰক বহীখন কাইলৈ গধূলিৰ আগে আগেই লাগে। তেতিয়া গাঁওবুঢ়াই সুকৰ্মলৈ ঘূৰি চালে।

সুকৰ্মই ক'লে, "এদিনতে শুধৰাই ঘূৰাই দিয়াৰ আপ্ৰাণ চেষ্টা মই নিশ্চয় কৰিম। কিন্তু—"

"কোনো 'কিন্তু'ক প্ৰশ্ৰয় নিদিব।" মানুহজনে সুকৰ্মক ক'লে "আপোনাৰ



কৰ্মপটুতা তথা যোগ্যতা-অৰ্হতাৰ কথা আমি বহুদিনৰেপৰাই জানো। এই কামৰ পূৰ্ণ যোগ্যতা যে আপোনাত আছে, সেই কথাতো দ্বিমত নাই। তথাপি যে আপোনাক পোনে পোনেই অনুৰোধ কৰা নাছিলোঁ—তাৰ একমাত্ৰ কাৰণ হ'ল—আপোনাৰ বয়স। যদিও এই বয়সতো অনুগ্ৰহ কৰি কামখিনি কৰি দিয়ে—বৰ ভাল পাব আমাৰ জমিদাৰ ডাঙৰীয়াই।"

সুকৰ্মই বিষাট বহীখন শুধৰাই এদিনতেই ঘূৰাই দিছিল।

জমিদাৰে শুধৰোৱা বহীখন তন্ন তন্নকৈ পঢ়ি চালে আৰু ক'লে যে বাস্তৱিকতে বহীখন এতিয়া সম্পূৰ্ণ নিৰ্ভুল হ'ল। কথাটো তেওঁ ভালেমান মানুহক কৈছিল।

এদিনৰ ভিতৰতে যে ইমান ডাঙৰ কামটো কৰিলে, সেই কথা সুকৰ্ময়ো তেওঁৰ চিনাকিসকলৰ কিছুমানক কৈছিল।

কেৱল এই এটি ঘটনায়েই নহয়, এই ঘটনাৰ পাছতো আন তিনি-চাৰিটা ঘটনাত সুকৰ্মই তেওঁৰ কৰ্মদক্ষতাৰ তথা যোগ্যতা-অৰ্হতাৰ প্ৰমাণ দাঙি ধৰিছিল।

এবাৰ গাঁওবুঢ়া বেমাৰত পৰিল। বৈদ্যই কেইবাবিধো নতুন নতুন লতা-পাত-শিপা বুটলি আনি তাৰে দৰৱ প্ৰস্তুত কৰি খুৱাবলৈ দিহা দিলে। এইবোৰ ইয়াত পোৱা নাযাব, পোৱা যাব শিমলু-পাহাৰৰ নামনিত থকা ব্যাসানন্দৰ



আশ্ৰমত। কিন্তু মস্কিল হ'ল যে ব্যাসানন্দই সংস্কৃত ভাষা বাদে আন কোনো ভাষানাজানে। তেওঁ সংস্কৃততে কয়, লিখে, আৰু সংস্কৃততে ক'লেহে বুজে।--কি হ'ব ?

গাঁওবুঢ়াই নৰকণ্ঠক মতাই অনাই কথাটো কোৱাত নৰকণ্ঠই সংস্কৃতৰ 'স'টোও নজনাৰ কথা, আৰু শিমলু-পাহাৰলৈ গ'লে যে সি সেই বতৰত নিজেই অসুস্থ হৈ পৰিব—সেই কথাটোও গাঁওবুঢ়াক কৈ এই দুৰূহ কামৰপৰা তথা প্ৰচণ্ড পথশ্ৰমৰপৰা অব্যাহতি ল'লে।

আৰু অতঃপৰ সেই সুকৰ্ম। সুকৰ্ময়েই ব্যাসানন্দৰপৰা লাগতিয়াল বস্তুখিনি লৈ সঠিক সময়ত উভতি আহিছিল।

এবাৰ গাঁৱৰ ৰাইজে স্থিৰ কৰিলে এই বছৰ অতি ধুমধামৰে কালীগোসাঁনীৰ পূজা কৰিব লাগিব। পূজানুষ্ঠানৰ দিন গাঁৱৰ কোনোবা এজন সক্ষম পুৰুষে গোটেই দিনটো—বোৱাৰীপুৱাৰপৰা গধূলিলৈকে —এ কে বা ৰে নবহাকৈ থিয়ৈ থিয়ৈ গোসাঁনীৰ সকলো কাম কৰিব লাগিব। গাঁৱৰ দক্ষিণ দিশৰ হাবিত এবিধৰ গছ আছে, যিবিধ গছৰ পাতবোৰত ত্ৰিশূল অঁকা থাকে, সেই পাতবোৰ বুটলি আনি সেই পাতৰ এশ ষোলটা পাতেৰে মালা গুঁঠি গোসাঁনীক সেই পুৰুষজনায়েই পিন্ধাব লাগিব আৰু অনুষ্ঠানৰ অন্তত পুনৰ সেই পাতৰ মালা সেই গছজোপাত থৈ আহিব লাগিব, তেহে বহিব পাৰিব।

পূজানুষ্ঠানৰ অন্তত, ৰাতিৰ পৰতে, অকলে অকলে সেই অটব্য হাবিলৈ যোৱাটো বৰ দুষ্কৰ কাম।

নৰকণ্ঠ ক কোৱাত নৰকণ্ঠই নানান অজুহাত দেখুৱাই এনে ধৰণৰ টান কাম তাৰদ্বাৰা নহ'ব বুলি কৈ দিলে। গোটেই দিনটো থিয় হৈ থাকিলে পাছত যে কঁকাল পোনাব নোৱাৰিব সেই কথাতো নৰকণ্ঠ নিশ্চিত হ'ল।

কিন্তু এই একেই কাম সুকৰ্মই তেওঁৰ

জীৱনত প্ৰায় চাৰি-পাঁচবাৰমান কৰিছিল। গতিকে—ৰাইজৰ বিশেষ অনুৰোধত তেওঁ এই বাৰো সন্মত নহৈ নোৱাৰিলে। তেওঁ হাবিলৈ গ'ল, ত্ৰিশূল-পাত লৈ আহিল, গোটেই দিন—বোৱাৰীপুৱাৰপৰা গধূলি-লৈকে থিয়ৈ থিয়ৈ সকলো কৰণীয় কাম কৰিলে আৰু তাৰ পাছত—ৰাতিৰ পৰতে পুনৰ হাবিলৈ গৈ সেই ত্ৰিশূল-পাতৰ মালা সেইজোপা গছতে থৈ আহিলগৈ।

এইদৰে, বিভিন্ন কঠিন ক্ষেত্ৰত কৰ্মদক্ষ সুকৰ্মই প্ৰমাণ কৰিলে যে কেৱল 'ডেকা' হোৱাৰ গুণেৰে'ভেকোককা' হ'ব নোৱাৰি, যোগ্যতা অতুইতা থাকিলেহে পাৰি।

কিন্তু তথাপি কিয় যে ৰাইজ নৰকণ্ঠৰ ওচৰলৈ যোৱা হয়—টানে-মস্কিলে—সেই কথা সুকৰ্মই ভাবি উলিয়াব পৰা নাই।

এদিন তেওঁৰ পৰিবাৰ সূৰ্য্যাই গিৰিয়েক সুকৰ্মক ক'লে, "আপুনি বৰঞ্চ এতিয়া ঘৰত বহি বেদ-পুৰাণ পাঠ কৰক, আৰু মোকো সেইবোৰৰ অৰ্থ বুজাই কওক। এইদৰে আমি সুখে-শান্তিৰে জীৱনৰ বাকীছোৱা কাল কটাব পাৰিম। ৰাইজ যেতিয়া আপোনাৰ কাষ নচপা হ'ল, বা আপোনাৰ মূৰত টান কামৰ গধুৰ বোজা জাপি দি দিগ নিদিয়া হ'ল —আপুনি ভালেই পাব লাগে সেই কথাত, মুঠেই বেয়া পাব নালাগে।"

"সকলো দোষ দেখিছোঁ—মোৰ নহয় —মোৰ বাৰ্ধক্যৰহে। কিন্তু মই কিবা পাটীয়েই ল'লোঁনে? যি-কাম চফল ডেকাই কৰিব পৰা নাই, মই কৰি-ধৰি দেখুৱাইছোঁ দেখোন! তথাপি কিয় ৰাইজে মোক স্বীকাৰ নকৰিব?" সুকৰ্মই খেদ প্ৰকাশ কৰিলে।

এদিন আন এখন গাঁৱৰ মানুহ বসুদেৱ সুকৰ্মৰ ঘৰলৈ আহিল। কথা কি? যোৱা ত্ৰবছৰ ধৰি তেওঁলোকৰ গাঁৱত বৰষুণ দিয়া নাই, সেইহে কুঁৱা আৰু পুখুৰী খন্দোৱাৰ ওপৰত গুৰুত্ব দিয়া হৈছে,

যদিও তেওঁলোকৰ গাঁওবুঢ়াই এইবিষয়ে একেবাৰে গা-লগোৱা নাই, দেশৰ ৰজাৰ ওচৰত আবেদন জনাবলৈকো বুদ্ধি আৰু উপায় লাগে—ইত্যাদি।

ৰজাৰ ওচৰত আবেদন জ্ঞাপনৰ নিয়ম হ'ল যে—ৰাজপ্ৰাসাদৰ আগত থকা মুকলি পথাৰত থিয় হৈ ৰজাৰ দৃষ্টি আকৰ্ষণ কৰিব লাগিব আৰু তেতিয়া যদি ৰজাই তেওঁৰ কৰ্মচাৰী পঠিয়াই মাতি লৈ যায়, আৰু সোধে, ৰজাক ক'ব লাগিব।

"সাধাৰণতঃ—ৰাজপ্ৰাসাদৰ আগত থকা মুকলি পথাৰত থিয় হৈ তিনি-চাৰিবাৰমান ৰজাৰ দৃষ্টি আকৰ্ষণ কৰাৰ চেষ্টা কৰিলেই কাম হৈ যায়। আমাৰ গাঁৱত এই কামটি কৰিব পৰা মানুহ ঢেৰ ওলাব, কিন্তু মহাৰাজক বুজাই ক'ব পৰা মানুহহে আমাৰ গাঁৱত নোলাব।"

বসুদেৱৰ কথাৰ উত্তৰত সুকৰ্মই এই গাঁৱৰ গাঁওবুঢ়াক কথাটো ক'বলৈ ক'লে। বসুদেৱে ভালকৈ জানিছিল যে এই জটিল কামটো কেৱল সুকৰ্ময়েই সুকলমে কৰিব পাৰিব। তথাপি সুকৰ্মৰ কথাত বসুদেৱ গাঁওবুঢ়াৰ ওচৰলৈ গ'ল আৰু অলপ সময়ৰ পাছত পুনৰ সুকৰ্মৰ ওচৰলৈ উভতি আহিল।

বসুদেৱে সুকৰ্মক ক'লে, "গাঁওবুঢ়াই তোমাৰ কথা যি ক'লে— ক থা থি নি দেখিছোঁ সঁচে-কাটে সঁচা।"

"কি কথা—?" সুকৰ্মই ভুৰু কোঁচাই সুধিলে, "কি ক'লে মোৰ কথা আমাৰ গাঁওবুঢ়াই?"

"তেওঁ ক'লে যে—জীৱনৰ সকলো অৱস্থাত যে সকলো কাম কৰিব নোৱাৰি, সেই কথাটোহে সুকৰ্মই নুবুজে। সকলো কামৰেই সময় বোলা কথা আছে।"

বসুদেৱৰ যোগেদি গাঁওবুঢ়াৰ কথাখিনি শুনাৰ লগে লগে অকস্মাৎ 'সময়' সম্পৰ্কে সুকৰ্ম সচেতন হৈ উঠিল।



অতুল সুন্দৰী

৯

[আগৰ কথা : ভাগ্য গ্রিকসকলৰ অনুকূল হ'ল আৰু চতুৰ চৌৰ্য্যনাথৰ মিছাকথাতে মহাৰাজ মৰ্দন তথা ট্রেজোনইঁত ভোল গ'ল। ইতিমধ্যে নিজৰ সৈন্যবাহিনীৰে সৈতে বীৰ প্রশংসন এড়া পৰ্বতলৈ বুলি ৰাওনা কৰিলে। ট্রোজানইঁত এই কথাত নিঃচিন্ত হ'ল যে গ্রিকইঁত অৱশেষত ট্ৰয় জয়ৰ তথা অতুলসুন্দৰীক উদ্ধাৰ কৰাৰ আশা পৰিত্যাগ কৰি আৰু দীৰ্ঘকাললৈ প্ৰৱাস থকাৰ ফলত ঘৰ-আকলুৱা হৈ ঘৰমুৱা হ'ল। আৰু তাৰ ফলত…]

বাহিৰত যেতিয়া আনন্দৰ হৈ-চৈ চলি আছিল, কাঠৰ ঘোঁৰাটোৰ পেটৰ ভিতৰত তেতিয়া গ্রিক যোদ্ধাইঁত ভয়তে কঁপি আছিল। ঘোঁৰাৰ পেটৰ ভিতৰত তেওঁলোকৰ উপস্থিতিৰ কথা নামমাত্র জানিলেও সকলোকে যে নিমিষতে খতম্ কৰিব সেই কথা দেখা কথা। ভিতৰত আনকি দোৰ্ঘৰেও অলপো শব্দ নকৰাকৈ কান্দি আছিল। অন্যান্য গ্রিক বীৰো অস্থিৰ হৈ উঠিছিল। কিন্তু নৰয়োধ শিলৰ দৰে অলৰ হৈ ভাবলেশহীন মুখেৰে বহি আছিল। অনাগত ভৱিষ্যতৰ নিৰ্মম-নিকৰুণ অৱস্থাৰ কথা দূৰদৃষ্টিৰে দেখি আৰু ভাবি ভাবি।

সকলো গ্রিক বীৰেই ঘোঁৰাৰ পেটৰপৰা ওলাই আহি ট্রোজানইঁতক কাটি

আৰু ঘোঁৰাটোৰ চাৰিওফালে চক্ৰাকাৰে ঘূৰি ঘূৰি, ঘোঁৰাটোৰ পেটত টুকুৰিয়াই, গ্ৰিক বীৰসকলৰ পত্নীসকলৰ কণ্ঠস্বৰৰ অনুকৰণ কৰি কৰি গ্ৰিক বীৰসকলৰ নাম কাঢ়ি কাঢ়ি মাতি থাকিল। ৰূপধৰৰ নিচেই কাষতে বহি থকা ক্ৰেটো আৰু দেৰময় তেতিয়াই জঁাপ মাৰি বাহিৰ ওলাবলৈ ছটফট কৰি থাকিল; কিন্তু যুদ্ধৰ প্ৰকৃত সময় সম্পৰ্কে অভিজ্ঞ ৰূপধৰে তেওঁলোকক সেই অনুমতি নিদিলে।

এতিয়া গভীৰ ৰাতি। ট্ৰোজানহঁতৰ বিজয়োৎসৱৰ ঢউ এতিয়া প্ৰায় জামৰি আহিছে। উৎসৱক্লান্ত ট্ৰোজানহঁত এতিয়া গভীৰ নিদ্ৰাচ্ছন্ন। ক'তো-কেনিও আনকি এটা কুকুৰেও ভুকা নাই, এতিয়া কেৱল অতুলসুন্দৰীৰ প্ৰাসাদৰ আগত ঘূৰ্ণীয়া আকৃতিৰ প্ৰদীপ এটি জ্বলি আছে। এয়া আছিল গ্ৰিকসকলৰ কাৰণে অন্যতম বিশেষ সংকেত-চিহ্ন।

আৰু ৰাতিৰ এই গভীৰ পৰতে চৌৰ্য্যনাথে চোৰৰ দৰে হাতত সাৰে ভৰিত সাৰে গৈ গৈ বজ্ৰকায়ৰ সমাধিত চাকি এটি জ্বলালেগৈ। আৰু ঠিক পাছ-মুহূৰ্ত্তে প্ৰত্যাম্নায়ে জোঁৰ এডাল জ্বলাই জ্বলন্ত জোঁৰডাল তলা-ওপৰাকৈ জোকাৰি থাকিল সমুদ্ৰত ৰৈ থকা ৰাৰাজাক সঠিক আৰু

খাস্তাং কৰিবলৈ ছটফটাই আছিল; কিন্তু এই বাৰে ৰূপধৰৰ অনুমতি লাগিব। একমাত্ৰ ৰূপধৰেই কাঠৰ ঘোঁৰাৰ পেটৰপৰা ওলোৱাৰ অনুমতি দিব পাৰিব। ৰূপধৰে ভাবি আছিল অন্য কথা: যদি এইবাৰৰ এই সাহসিকতাপূৰ্ণ অভিনৱ অভিযান ব্যৰ্থ হয়, তেনেহ'লে ট্ৰয়-বিজয়ৰ সপোন সপোনেই থাকি যাব, আৰু — আৰু কাষ্ঠাশ্বৰ পেটত থকা বছা বছা গ্ৰিক বীৰহঁতৰ মৃত্যু হ'ব এক কঠোৰ-কঠিন অৱধাৰিত সত্য।

ইপিনে—পতি অৰিভয়ংকৰৰ সৈতে অতুলসুন্দৰী কাঠৰ ঘোঁৰা চাবলৈ আহিল

সৰিশেষ সংকেত দিবলৈ।

লগে লগে ৰাৰাজাৰ নাৱৰ দীপও জ্বলিল আৰু গ্ৰিক মাৰনাওবোৰ সমুদ্ৰ-তটলৈ বুলি আগ বাঢ়িল।

ৰাৰাজাৰপৰা সংকেত পোৱামাত্ৰেই প্ৰত্যান্মায় কাষ্ঠাশ্বৰ কাষ চাপিল আৰু ঘোঁৰাৰ পেটৰ বিশেষ এঠাইত মুখ লগাই চেপা মাতেৰে ক'লে ঃ

"সকলো প্ৰস্তুত!"

আৰু লগে লগে কাঠৰ ঘোঁৰাৰ দুৱাৰ খোল খাই গ'ল আৰু এজন এজনকৈ গ্ৰিক বীৰ ঘোঁৰাৰ পেটৰপৰা তললৈ ওলমি পৰা ওলোমা-খটখটিয়েদি একে একে নামি আহিল। ইপিনে নাৱৰপৰাও দলে দলে গ্ৰিক সৈন্য সমুদ্ৰৰ সোঁতৰদৰে তালৈ আহি থাকিল আৰু সিহঁতে নিদ্ৰামগ্ন ট্ৰোজান প্ৰহৰীহঁতক টোপনিতে ঘচং ঘচংকৈ কাটি খতম্ কৰি থাকিল।

এতিয়া ক্ৰেটোই কেৱল তেওঁৰ ধৰ্মপত্নী কাছান্দ্ৰা তথা অতুলসুন্দৰীৰ কথাহে ভাবি থাকিল আৰু আচ্ছন্নৰ দৰে অতুল-সুন্দৰীৰ প্ৰাসাদৰ পিনে গৈ থাকিল।

আৰু ঠিক তেতিয়াই গ্ৰিকে-ট্ৰোজানে নাই ৰঙামাটি-নাই গুৱাহাটী বুলি নাই তই নাই মই লাগি পৰিল। গ্ৰিকহঁতে ট্ৰোজানহঁতক কচুকটা দিবলৈ ধৰিলে।



ৰূপধৰে অতুলসুন্দৰী আৰু অতুলসুন্দৰীৰ শাহুৰেকক এই কথা দিছিল যে নিৰস্ত্ৰ কোনো ট্ৰোজানক গ্ৰিকসৈন্যইঁতে হত্যা নকৰিব। কিন্তু যুদ্ধোন্মত্ত গ্ৰিকসৈন্যইঁতে যুদ্ধৰ ৰীতিনীতিলৈ ভ্ৰূক্ষেপো নকৰা হ'ল, আৰু যাক য'তে পালে অতি নিৰ্মমভাবে হত্যা কৰা হ'ল।

অৱস্থা গুৰুতৰ দেখি মহাৰাজ মৰ্দন আৰু তেওঁৰ পুত্ৰী জালিনী আৰু পত্নীও বুদ্ধিমতী দেৱীৰ মন্দিৰলৈ গৈ লুকাই থাকিল। কিন্তু তেওঁৰ দৃষ্টিৰ আগতে নৰয়োধে তেওঁৰ পুত্ৰ এজনক তৰোৱালেৰে ঘপিয়াই হত্যা কৰিলে। এই মৰ্মান্তিক দৃশ্য দেখা পাই আবেগচালিত হৈ মহাৰাজ মৰ্দন মন্দিৰ এৰি ওলাই আহিল আৰু গ্ৰিক সন্যইঁতে তেওঁক বন্দী কৰিলে, আৰু তাৰ পাছত—ৰাজপ্ৰাসাদলৈ লৈ যোৱাৰ পাছত তেওঁকো হত্যা কৰিলে।

ক্ৰেটোৰ লগে লগে ৰূপধৰো অতুল সুন্দৰীৰ প্ৰাসাদলৈ গ'ল। উভয়ৰ সৈতে অতুলসুন্দৰীৰ বৰ্তমান পতি অৰিভয়ংকৰৰ সৈতে ভয়ংকৰ যুদ্ধ হ'ল। ক্ৰেটো বা ৰূপধৰেও যেতিয়া অৰিভয়ংকৰক হত্যা কৰিব নোৱাৰিলে,তেতিয়া অতুলসুন্দৰীৰে পিছফালৰপৰা ডেগাৰেৰে ঘপিয়াই অৰি ভয়ংকৰক নিকৰুণভাবে হত্যা কৰিলে।



ক্ৰেটোৱে আগতে ভাবিছিল যে—কাছান্দ্ৰাক তথা অতুলসুন্দৰীক দেখা পোৱামাত্ৰেই তৰোৱালেৰে কাটি পেলাব; কিন্তু অতুলসুন্দৰীৰ মোহিনীশক্তিয়ে ক্ৰেটোক সেই সংকল্প পৰিহাৰ কৰিবলৈ বাধ্য কৰিলে আৰু ক্ৰেটোৱে মোহময়ী অতুলসুন্দৰীৰ হাতত ধৰি তেওঁৰ সুন্দৰী পত্নীক নাৱলৈ লৈ গ'ল।

প্ৰত্যান্মায়ে নিজে ট্ৰোজান হৈও গ্ৰিক সকলক পাৰ্য্যমানে সহায় কৰিছিল। কিন্তু তথাপি প্ৰত্যান্মায়ৰ পুত্ৰক যেতিয়া গ্ৰিক সৈন্যইঁতে হত্যা কৰিবলৈ তৰোৱাল দাঙি-ছিল, তেতিয়া ৰূপধৰে সৈন্যইঁতক ক্ষান্ত

নাপাই জুই লগাই দিলে। কিছুমানক ধৰি ধৰি বলি দিলে। লুটসামগ্ৰী নিজৰ মাজত ভগাই ল'লে।

বীৰসিংগাৰ পত্নীক নৰয়োধে নিজৰ কৰি ল'লে। বীৰসিংগাৰ শিশুপুত্ৰটিক সিহঁতে মাৰি পেলালে।

বজ্ৰকায়ৰ প্ৰেয়সী প্ৰমোদিনীক কি কৰা হ'ব—সেই কথাত গ্ৰিকহঁতৰ মাজত বিৰোধা-বিৰোধি আৰম্ভ হ'ল। মৃত্যুকালত বজ্ৰকায়ে কৈ গৈছিল তেওঁৰ সমাধিৰ ওপৰত প্ৰমোদিনীক বলি দিবলৈ, তাৰে তেওঁৰ আত্মাই তৃপ্তি পাব। জ্যোতিষী কাংশুকেও বজ্ৰকায়ৰ এই বাসনাক সমৰ্থন কৰি ক'লে যে—বজ্ৰকায়ৰ মৃত্যু-বাসনা পূৰ্ণ নহয় যদি, গ্ৰিকসকলৰ স্বদেশযাত্ৰা বিপজ্জনক হৈ উঠিব।

কিন্তু ৰাৰাজাই এই কথাৰ প্ৰতিবাদ কৰিলে আৰু ক'লে, "ঢেৰ ৰক্তপাত হ'ল। আৰু—এজনী নাৰীক বধ কৰাৰ মই বিৰোধী। এয়া অতি অসংগত কথা।"

"অঃ! জালিনীক তুমি ল'লাই নহয়? গতিকেই—এতিয়া প্ৰমোদিনী জীয়াই থাকিব লাগে। কি কোৱা?" কিছুমান গ্ৰিক বীৰে এই মতামত প্ৰকাশ কৰিলে আৰু ৰূপধৰৰ হস্তক্ষেপত ৰাৰাজাৰ আপত্তি সত্বেও প্ৰমোদিনীক বজ্ৰকায়ৰ

কৰিছিল, আৰু প্ৰত্যাম্নায়ৰ প্ৰাসাদৰ দুৱাৰত বাঘৰ ছাল এখন ওলোমাই দিছিল। তাৰ অৰ্থ হ'ল যে—বাঘ-ছাল থকা ঘৰৰ কাৰোবাৰ ওপৰত আক্ৰমণ কৰা নহ'ব। প্ৰশংসনৰ প্ৰাসাদতো এনেহেন বাঘ-ছাল ওলোমাই থোৱা হৈছিল, কিয়নো তেওঁ গ্ৰিকসকলৰ বিৰুদ্ধে অস্ত্ৰধাৰণ কৰাৰপৰা বিৰত হৈ তেওঁৰ সৈন্যবাহিনীৰে সৈতে-এড়া পৰ্বতলৈ গুচি গৈছিল।

যথেচ্ছভাবে হত্যাকাণ্ড অন্তত গ্ৰিকহঁতে ট্ৰয় নগৰৰ যাৱতীয় মূল্যৱান বস্তু-সামগ্ৰী লুট-পাত কৰি থাকিল। বহু-সংখ্যক গৃহত কোনো মূল্যৱান বস্তু-সমগ্ৰী

সমাধিৰ ওপৰত বলি দিয়া হ'ল আৰু বলিৰ অন্তত শাস্ত্ৰোক্তভাবে প্ৰমোদিনীৰ অন্ত্যেষ্টিক্ৰিয়া সম্পাদিত হ'ল।

মহাৰাজ মৰ্দনৰ পত্নীক ৰূপধৰে আপোন কৰি ল'লে। কিন্তু গ্ৰিছদেশলৈ ওভতোঁতে জাহাজত বহি মৰ্দন-পত্নীয়ে গ্ৰিকহঁতৰ অনীতি-অন্যায়-দুৰ্নীতি দুৰাকাংক্ষাৰ কথাত উজকাৰ দি গালি পাৰি থকাত আৰু অভিশাপ দিয়াত তেওঁক কাটি সমুদ্ৰলৈ নিক্ষেপ কৰা হ'ল।

এই ওভতনিয়ে কিন্তু সকলো গ্ৰিকক স্বদেশ পোৱাবলৈ ব্যৰ্থ হ'ল। ভালেমানে তেওঁলোকৰ দেশলৈ যোৱাৰ পৰিবৰ্তে আন দেশ পালেগৈ, আৰু ভালেমান সমুদ্ৰৰ বুকুতে মৰিল।

ট্ৰয়ৰপৰা গুচি অহাৰ আগে আগে ৰাৰাজা আৰু ক্ৰেটোৰ মাজত গুৰুতৰ বিৰোধৰ সৃষ্টি হৈছিল, আৰু পাছত দুয়োজনৰ মাজত আৰু কেতিয়াও দেখা-দেখি নহৈছিল, ক্ৰেটোৱে কৈছিল যে—যিহেতু সমুদ্ৰবায়ু অনুকূল সিহেতু এতিয়াই গ্ৰিছদেশলৈ বুলি ৰাওনা হ'ব লাগে। কিন্তু দেৱী বুদ্ধিমতীলৈ অৰ্ঘ্য অৰ্পণ নকৰাকৈ ৰাৰাজাই নাযাব। এই কথাতে বিৰোধৰ সূত্ৰপাত। ক্ৰেটোৰ মত আছিল এয়ে যে—বুদ্ধিমতী দেৱীয়ে গ্ৰিকসকলক নহয়, ট্ৰোজানহঁতকহে সহায় কৰিছিল।

যি কি নহওক—ৰাৰাজা, বৃদ্ধ নৰহ্যোত পোনে পোনেই দেশ পালেগৈ; কিন্তু ক্ৰেটোৰ জাহাজ এই যুদ্ধৰ নায়িকা অতুল-সুন্দৰীৰে সৈতে অঠাই সমুদ্ৰত ডুবিল।

এইদৰে তাহানিৰ নয়নাভিৰাম ট্ৰয় নগৰৰ পতন হৈছিল। তাৰ বহুকালৰ পাছত প্ৰশংসনৰ সন্তানহঁতে ৰাজত্ব কৰি ট্ৰয় নগৰী যদিও পুনৰ্নিৰ্মিত কৰিছিল; তথাপি ট্ৰয়ৰ পূৰ্বৰ সেই বৈভৱ কিন্তু আৰু ঘূৰাই আনিব পৰা নাছিল। [অন্ত]

চৈধ্য বছৰীয়া চৈত্ৰলি

মাক-দেউতাকে পুত্ৰ তাহেৰ মাদ্ৰাছওৱালাক মাত্ৰ ছমাহৰ বাবে ওলাবলৈ অনুমতি দিছিল। তেতিয়া



তাহেৰ আছিল ১৮ বছৰীয়া। তাৰ পাছত তাক ঘূৰণ-পোকে কুটিবলৈ ধৰিলে, আৰু সেই ছমাহৰ অন্ততো ছাইকেলত উঠি ঘূৰি ঘূৰি কেনিবাদি ১৪ টি বছৰ পাৰ কৰি দিলে! তাহেৰে ছাইকেলেৰে ১১৬,০০০ কিল'মিটাৰ ভ্ৰমিলে, ৩০ খন দেশৰ মাটি ছুলে; আৰু তাৰ পাছতহে ৰ'ল। ৰ'ল—আৰু পুনৰ মাক-দেউতাকৰপৰা অনুমতি বিচৰা হ'ল। নহয়. আকৌ ওলাবলৈ নহয়, এইবাৰ ঘৰলৈ ঘূৰাৰ। তাহেৰে কেৱল দেশ চাই চাই ঘূৰি ফুৰা নাছিল, দিনলিপি লিখিছিল, বিচিত্ৰ মানুহ-মুনিহৰ সাক্ষাৎকাৰ গ্ৰহণ কৰিছিল। তাহেৰে যদি কিতাপ এখন লিখি উলিয়ায় নিশ্চয় 'বেস্টছেলাৰ' হ'ব। কি কয় ?

ৰূপৰ বাইবেল

যোৱা এপ্ৰিলৰ ৫ তাৰিখৰপৰা স্টকহোমৰ উপছালা য়ুনিভাৰ্ছিটিৰপৰা বাইবেলৰ দুখিলা পাত নোহোৱা হ'ল। এমাহৰ অন্তত, য়ুনিভাৰ্ছিটিৰ নিৰাপত্তা-বিভাগে এটি ফোন-বতৰা পালে যে স্টকহোমৰ প্ৰধান ৰেলওৱে স্টেশ্বনৰ লকাৰত সেই নোহোৱা হোৱা পাত দুখিলা আছে! য়ুনিভাৰ্ছিটি-কৰ্তৃপক্ষই স্বস্তিৰ উশাহ ল'লে, এই দুখিলা পাতৰ কাৰণে ইমান দুশ্চিন্তিত হৈছিল কিয় কৰ্তৃপক্ষই ? কিয়নো-এই পাত দুখিলা আছিল ৬ শতিকাৰ ৰূপৰ, বাইবেল'ৰ পাত, যিখন বাইবেল ৰূপৰ চিয়াহিৰে লিখিত হৈছিল, সোণৰ চিয়াহিৰে সুশোভিত কৰা হৈছিল। এই বাইবেলৰ আবৰণী (Cover) ও আছিল ডাঠ ৰূপৰ পাতেৰে মেৰিউৱা। গথিক (GOTHIC) তথা জাৰ্মান ভাষাত লিখিত এই সুপ্ৰাচীন অমূল্য বাইবেল স্যুইডেনত আছে।

'মই কিয় নোৱাৰিম' ?

মে' মাহৰ ১৯ তাৰিখে চান্নি কানোড়িয়াই এখন মোটৰগাড়ী বম্বেৰ আলিবাটত চলালে। তাৰো আগতে, ৭ মে'ৰ দিনা কলিকতাৰ ৰাজ-আলিত চলাইছিল, আৰু একেদৰেই আমেদাবাদ, গুৱাহাটী, নগাওঁ আদি ঠাইতো চলাইছিল। আৰু —সুৰতত, য'ত চান্নি আছিল নাৰ্ছাৰিৰ ছাত্ৰ মাত্ৰ, তাতো। ওঁ, চান্নি মুঠেই ৪ বছৰীয়াটো। সি যোৱা ফেব্ৰুৱাৰিত মোটৰ গাড়ী চলাবলৈ শিকিছিল, আন এজনী কণমানি ৪ বছৰীয়া যুহি চাওলাৰ-

পৰা, যিজনী কচান্নিয়ে ১৯৯৩ চনত হায়দৰাবাদত মোটৰ চলাবলৈ দেখা পাই ভাবিছিল : ময়োবা কিয় নোৱাৰিম ? চান্নিয়ে মাক-দেউতাকো কৈছিল। তেওঁলোকেই তাক স্টিয়েৰিং চলাববলৈ শিকালে এতিয়া—গিনেছত নাম উঠাৰ বাবে দিন গণিছে!

যোগ্য অভিলাষ

কিন্তু তথাপি প্ৰতিজ্ঞাৱদ্ধ বিক্ৰমাদিত্য নদমিল। তেওঁ পুনৰ গছৰ ডালৰপৰা মৃতদেহটো নমাই আনি, কান্ধত পেলাই লৈ, প্ৰচণ্ড ধুমুহা-বৰষুণ আৰু নিজৰ গা-নেদেখা এন্ধাৰৰ মাজেদি সেই ভয়ানক মৰিশালিলৈ বুলি খোজ ল'লে। তেতিয়া মৃতদেহত থকা বেতালে কৈ উঠিল, "হে ৰজা, তুমি যদি কোনো তান্ত্ৰিকৰ কথামতে এই কাম কৰি আছা, তেনেহ'লে জানি থোৱা, তোমাৰ সেই প্ৰচেষ্টা এক বিৰাট ব্যৰ্থতালৈ পৰ্য্যৱসিত হ'ব পাৰে। সহায়, শ্ৰম, বীৰতা, নিৰ্ভয়তা, পৰোপকাৰ— নিঃসন্দেহে পৰম গুণ। কিন্তু কাৰোবাৰ আদমতে কাম কৰি থাকিলে এইবোৰ গুণ ক্ৰমাত লুপ্ত হয়। এই বিষয়ে সীতাৰাম আৰু মাতংগৰ কাহিনী কওঁ শুনা। এই কাহিনীয়ে তোমাক কৰ্তব্য-অকৰ্তব্যৰ চিন্তাৰ সমল যোগাব।" বেতালে কৈ থাকিল ঃ

'বেতাল-কথা'

সুপ্ৰাচীন পূৰ্বতট ৰাজ্যৰ নান্দীমুখ নামৰ গাঁৱত পতিৰাম নাম এজন মানুহ আছিল। পতিৰামৰ অৱস্থা এসময়ত যথেষ্ট টনকিয়াল আছিল, কিন্তু ক্ৰমে ক্ৰমে তেওঁৰ অৱস্থা পৰি আহিল আৰু শেহান্তৰত পতিৰামৰ নিজৰ বোলোঁতে কেৱল ঘৰটোহে থাকিলগৈ।

তাৰ পাছত এদিন পতিৰামে যেতিয়া পাটী ল'লে, তেতিয়া তেওঁ তেওঁৰ পুত্ৰ সীতাৰামক ক'লে, "সীতাৰাম, মোৰ দুৰাশাইহে মোক সৰ্বস্বান্ত কৰিলে। কিন্তু তোমাৰ জীৱনত যাতে দুৰাশাই ঠাই নাপায়, তাৰ কাৰণে তোমাক মই কিছু-থিনি কথা কৈ যাম। আজি হ'ল ৰথসপ্তমীৰ দিন, ভালকৈ স্নান কৰি পৰিষ্কৃত বস্ত্ৰাদি পিন্ধি আহাগৈ, তেতিয়া তোমাক মই আমাৰ বংশৰ সকলো কথা সবিস্তাৰে কৈ যাম।"

সীতাৰাম নৈলৈ স্নান কৰিবলৈগ'ল। স্নান কৰাৰ অন্তত পৰিষ্কাৰ বস্ত্ৰাদি পিন্ধি যেতিয়া দেউতাকৰ ওচৰলৈ আহিল, তেতিয়ামানে দেউতাক ঢুকাল।

আৰু পাছদিনাই পাওনাদাৰহঁত সীতাৰামহঁতৰ ঘৰলৈ আহিল। পাওনাদাৰহঁতে সীতাৰামক ক'লে যে, ৰথসপ্তমীৰ পাছ দিনাই পতিৰামে তেওঁলোকৰ পাওনা শোধাব বুলি কৈছিল বুলিহে তেওঁলোক কিছু অভদ্ৰভাৱে খৰখেদাকৈ আহিল— সীতাৰামে বেয়া পাব নালাগে।

সীতাৰামে পাওনাদাৰহঁতক ক'লে যে তাৰ পিতাদেৱে তাক কিবাকিবি কৈ যাব বুলি কৈছিল, কিন্তু কোৱাৰ আগতেই তেওঁ ঢুকাল। গতিকে—

"গতিকে—কি হ'ব সেই কথা আমি নাজানো। আমি আমাৰ পাওনাৰ কথাহে জানো।" পাওনাদাৰহঁতৰ মাজৰ ৰমনে অন্যান্য পাওনাদাৰহঁতক ক'লে, "শুনা, তোমালোকৰ পাওনা অতি সামান্য সামান্য; কিন্তু মোৰ ঢেৰ। মই ইহঁতৰ

ঘৰটো আৰু ঘৰৰ যাৱতীয় বস্তুও দখল কৰিম। তাৰ পাছত তোমালোকৰ পাওনা মই পৰিশোধ কৰিম। তোমালোক মোৰ এই প্ৰস্তাৱত যদি ৰাজী—কোৱা তেন্তে। কি? ৰাজী—?"

সকলো পাওনাদাৰেই ৰমনৰ কথাত একবাক্যে সন্মত হ'ল।

তেতিয়া ৰমনে সীতাৰামক ক'লে, "শুনা, তুমি আৰু তোমাৰ মাতৃয়ে কাইলৈ এইখিনি সময়ৰ আগতেই ঘৰ এৰি গুচি যাবাগৈ। ঘৰৰ কোনো বস্তু তোমালোকে নিনিবা। কাইলৈ ঠিক এই সময়ত আহিম আৰু এই ঘৰৰ দখল ল'ম।" এই বুলি কৈ ৰমন তাৰপৰা গুচি গ'ল, আৰু ৰমনৰ পিছে পিছে অন্যান্য পাওনাদাৰো গ'লগৈ।

সীতাৰামৰ মাতৃ ৰজনীয়ে সকলো কথা অলপ আঁতৰত থিয় হৈ শুনিছিল। তেওঁ সীতাৰামক ক'লে, "বোপা, আমাৰ মহা বিপদ হ'ল। ঘৰ এৰি গুচি যাব লাগিবই বোধ কৰোঁ। যি কি নহওক, আমাৰ ঘৰত যি চন্দুকটো এচুকত পৰি আছে, সেই চন্দুকটো খুলি চোৱাচোন কি আছে।"

সীতাৰামে চন্দুকটো খুলি তাৰ ভিতৰত —অতি সৰু বহী এখন পালে। সেই বহীখনত সিহঁতৰ উপৰিপুৰুষ সকলৰ নাম-ধাম আৰু আনকি সীতাৰামৰো নাম-ধাম সোঁৱৰণী আদি লিখা আছিল। আৰু—একেবাৰে শেষ পাতত লিখা আছিল: 'বাদৰায়ণ,' 'বাদৰায়ণ,' 'বাদৰায়ণ'। এই মন্ত্ৰ মনে মনে তিনিবাৰ যিকোনো মানুহৰ আগত জপিলেই সেই মানুহজন শত্ৰু হ'লেও মিত্ৰ হৈ পৰিব। এই মন্ত্ৰ আমাৰ বংশৰ নিজস্ব মন্ত্ৰ।

এই মন্ত্ৰ মৃত্যুৰ আগতে নিজ পুত্ৰক, পুত্ৰ নাথাকিলে কন্যাক, কন্যাও নাথাকিলে নিকটতম স্বজনক কৈ যাব লাগিব; কিন্তু মৃত্যুৰ সম্ভাৱনাৰ আগতে কাকো ক'ব নাপায় যে—সেই কথাখিনিও বহীখনত অতি স্পষ্টাক্ষৰে লিখা আছিল।

"আমাৰ ধাৰখিনি মাৰি দিব লাগে। ধাৰৰ ভাৰ মোৰ পক্ষে অত্যন্ত অসহনি হৈছে।" সীতাৰামে ৰমনক পৰীক্ষাৰ মনেৰে ক'লে।

"শুনা, ঈশ্বৰৰ কিৰপাত মোৰ ধন-ধান ঢেৰ। তোমাৰ ধাৰৰ কথা একদম নিচিন্তিবা, মই সকলোকে আজি-কালিতে শোধাই দিম তুমি নিঃচিন্ত মনেৰে ঘৰলৈ যোৱা।" ৰমনে ক'লে।

আৰু ৰমনে তাৰ কথা মতে কামও কৰিলে, সকলো পাওনাদাৰৰ পাওনা পৰিশোধ কৰিলে।

কৰ্জাৰ কষ্টৰপৰা ৰেহাই মিলিল, আৰু এতিয়া সীতাৰাপৰ মন অন্যফালে ঘূৰিল। সি সিহঁতৰ গাঁৱৰ গেলামালৰ দোকানলৈ গ'ল আৰু দোকানী পুৰন্দৰৰ আগত থিয় হৈ মনে মনে তিনিবাৰলৈ 'বাদৰায়ণ' মন্ত্ৰ আওৰোৱা হ'ল। দোকানী পুৰন্দৰে সীতাৰামক ক'লে যে—যি লাগে সকলো বস্তু সি তাৰ কৰ্মচাৰী এজনৰ যোগেদি সীতাৰামহঁতৰ ঘৰলৈ পঠাই দিব, পয়চা-পাতি একো নিদিলেও হ'ব।

এইদৰে কিছুদিন পাৰ হ'ল। তাৰ পাছত এদিন এনিশা সীতাৰামৰ ঘৰত এটা চোৰ সোমাল। চোৰটোৱে ডেগাৰ উলিয়াই সীতাৰামক হুমিয়ালে: য'ত যি

মৃত্যুৰ আগতে দেউতাকে তাক কি কথা ক'ব খুজিছিল—এতিয়াহে সীতাৰামে পৰিষ্কাৰভাৱে গমিলে।

পাছদিনাই—এই মন্ত্ৰৰ মহিমা পৰীক্ষা কৰি চাবলৈ সীতাৰাম ৰমনৰ ঘৰলৈ গ'ল, আৰু অতি ক্ৰূৰ পাওনাদাৰ ৰমনৰ আগত থিয় হৈ মনে মনে তিনিবাৰলৈ 'বাদৰায়ণ' মন্ত্ৰ আওৰালে।

আৰু লগে লগে অতি মৰমসনা মাতেৰে ৰমনে সীতাৰামক ক'লে, "তোমাৰ দেউতাৰা আছিল এগৰাকী অতি সজ্জন মানুহ। কোৱাঁ তোমাক মোৰপৰা কি ধনৰ সহায়-সাৰথি লাগে।"

আছে দে, নহ'লে মৰিবি জানিবি। সীতাৰামে তিমানতে চোৰটোৰ আগত থিয় হৈ 'বাদৰায়ণ' মন্ত্ৰ আওৰাব ধৰিছেই।

আৰু চোৰটোৱে তেতিয়াই কৈ উঠিল, "চাওক, মোৰ আপোন বোলা জগতত কেও নাই। আজিৰেপৰাই চুৰি-তাৰি এৰি আন কিবা কামত ধৰি জীৱন কটাম।" এই বুলি কৈয়েই চোৰটো গুচি গ'ল।

"সকলো কথা-কাণ্ড সপোন যেন লাগিছে। আমাক সহায় কৰিবলৈ সকলোটি সদায় সক্ষম হৈ থাকে কিয় তাৰ আগ-গুৰি একোৱেই ঠাৱৰ কৰিব পৰা নাই মই। তুমি কিবা—কি বা ধৰণৰ বশীকৰণ মন্ত্ৰ-তন্ত্ৰৰ সন্ধান পালেনে কি, বোপা?" মাকে পুতেকক সুধিলে।

পুতেক সীতাৰামে মুচুককৈ হাঁহি মাৰি ক'লে, "নহয়, কোনো বশীকৰণ নাজানো মই। মোৰ ধাৰণা—আমাৰ স্বৰ্গী দেউতাৰ আত্মাইহে আমাক এইদৰে সহায় কৰিছে।"

এদিন সীতাৰামহঁতৰ গাঁৱলৈ মাতংগ নামৰ তান্ত্ৰিক এজন আহিল। এই তান্ত্ৰিকৰ অপাৰ মহিমা। গাঁৱৰ ৰুগীয়া-ভুগীয়াহঁতক কেৱল ছুই ছুই সুস্থ কৰি তুলিছে এই তান্ত্ৰিকে। কিছুমানক বৰও দিছে, আৰু সেই বৰৰ প্ৰায়ভাগেই



ফলিছেও। মাতংগ তান্ত্ৰিক যে স্বয়ং ভগৱন্তৰ দূত, মাতংগ তান্ত্ৰিকৰ অসাধ্য যে একো নাই, সেই কথাত গাঁৱৰ ৰাইজৰ মাজত দ্বিমত নাই।

সীতাৰামে ভাবিলেঃ মাতংগ তান্ত্ৰিকৰ আগত বাদৰায়ণ মন্ত্ৰ জপি যদি তান্ত্ৰিককো পোনাব পাৰোঁ, তেনেহ'লে এই অসাধ্যসাধা তান্ত্ৰিকৰ যোগেদি দেখোন মোৰ মনে-খোজা যেই-সেই বস্তু লভিব পাৰোঁ।

ভবা মতেই সীতাৰামে মাতংগ তান্ত্ৰিকৰ ওচৰলৈ গ'ল আৰু গৈয়েই সেই বাদৰায়ণ মন্ত্ৰ জপি থাকিল।

মাতংগ তান্ত্ৰিকে সীতাৰামৰ পিনে



পুনৰ সীতাৰামক কৈ থাকিল :

"মোৰ ইচ্ছা আছিল—মই বিশ্বৰ অধিপতি হ'ম। এই বাবে মই হিমালয় পৰ্বতলৈ গৈ তপস্যামগ্ন হ'লো। বহু দিনৰ তপস্যাৰ অন্তত ভগৱন্তই মোক প্ৰত্যক্ষভাবে দেখা দিলে; আৰু মোক কি বৰ লাগে বুলি সুধিলে। মই ক'লোঁ তেওঁক মোৰ প্ৰাৰ্থনা।

"ভগৱন্তই মোক ক'লে, 'পুত্ৰ, বিশ্বৰ বৰ্তমান অধিপতি অতি সৎ, ন্যায়ৱান আৰু যোগ্যৱান। গতিকে তোমাৰ এই প্ৰাৰ্থনা ন্যায়-সংগত নহয়'।

"মই তেতিয়া — কমেও এগৰাকী শক্তিমন্ত সম্ৰাট হোৱাৰ ইচ্ছা প্ৰকাশ প্ৰকাশ কৰাত ভগৱন্তই মোক ক'লে, 'শক্তিৰ অনাৱশ্যক ব্যৱহাৰ তথা অপচয় মনুষ্যই কৰা উচিত নহয়। আৱশ্যকতাৰ সীমা চেৰাই, আশাৰ নামত দুৰাশা পোষণ কৰাৰ অৰ্থ হ'ল—দুতৰ-অথন্তৰৰ সন্মুখীন হোৱা। তপস্যাৰ অৰ্থ—কোনো জাগতিক লাভ নহয়, তপস্যা হ'ল ভগৱানৰ সমীপলৈ যোৱাৰ এক প্ৰকৃষ্ট পথ—এই কথা সদায় মনত ৰাখিবা'।

"ভগৱান্তৰ উপদেশ শুনি মোৰ কিঞ্চিত জ্ঞানোদয় হ'ল। মই ভগৱন্তক ক'লোঁ, 'মোক আপুনি আপোন কৰি লওক'।

প্ৰসন্ন দৃষ্টিৰে চাই ক'লে, "তুমি অতি ভাগ্যশালী। মোৰ সহায়তা তোমাক কিয়নো লাগিছে?"

"হে তান্ত্ৰিকশ্ৰেষ্ঠ, সাধাৰণ কামৰ বাবে সাধাৰণ মানুহে মোক সহায় কৰিছে, হয়; কিন্তু মোৰ অসাধাৰণ ইচ্ছা পূৰাবৰ সামৰ্থ্য তেওঁলোকৰ নাই। আপুনি যদি মোৰ সহায় হয়, মোৰ মনৰ অসাধাৰণ ইচ্ছা পূৰ্ণ হ'ব।" হাতযোৰ কৰি সীতাৰামে মাতংগ তান্ত্ৰিকক ক'লে।

মাতংগ তান্ত্ৰিকে মিঠাকৈ হাঁহিৰে সীতাৰামক ক'লে, "পুত্ৰ, তেনেহ'লে মোৰ কাহিনী শুনা।" এই বুলি কৈ মাতংগই

"ভগৰন্তই ক'লে, 'জন্ম লোৱা মনুষ্যৰ —প্ৰতিজন মনুষ্যৰেই কিবা নহয় কিবা লক্ষ্য থাকে, তোমাৰো আছে। তোমাৰ লক্ষ্য এতিয়াও পূৰণ হোৱা নাই। আৰু— সময় বোলা কথাও আছে। সময় আৰু সুকৰ্মজনিত পুণ্যলাভ কৰামাত্ৰেই মই তোমাক আপোন কৰি ল'ম'। এই বুলি কৈ, ভগৰন্ত অন্তৰ্হিত হৈ গ'ল।

আৰু সিদিনাৰেপৰাই মই গাঁৱে-ভূঞে ঘূৰি ঘূৰি পুণ্যলাভৰ বাবে মানৱসেৱা কৰি আছোঁ।"

মাতংগ তান্ত্ৰিকৰ কাহিনী শুনি সীতাৰামে উপলব্ধি কৰিলে তাৰ চিন্তাৰ ভুলৰ কথা। বাদৰায়ণ মন্ত্ৰেৰে কিমান যে মানুহৰপৰা সহায় তথা উপকাৰ পালে সি। কিন্তু সি কাৰনো উপকাৰ সাধিলে? বৰঞ্চ এই মন্ত্ৰৰ প্ৰলোভনত পৰি সি-ও আশা নহয়—দুৰাশাৰহে চিকাৰ হ'ল, আৱশ্যকতাতকৈ অধিক 'পোৱাৰ আকাংক্ষাৰ চিকাৰ হ'ল।

ভাবি থকা সীতাৰামলৈ চাই মাতংগ তান্ত্ৰিকে ক'লে, "পুত্ৰ, তোমাৰ মাজত বশীকৰণৰ শক্তি আছে যেন পাওঁ। মোৰ-পৰা সহায় নোখোজালৈকে মই ইয়াৰপৰা ক'লৈকো যাব নোৱাৰিম। এতিয়া তুমি কোৱাঁ, তোমাক কি লাগে।"



সীতাৰাম চিন্তিত হৈ পৰিল। তাৰ পাছত কণ্ঠ-নকণ্ঠকৈ ক'লে, "অপুনি বিশ্বৰ অধিপতি হোৱাৰ বাসনা ত্যজি মানৱ-সেৱাত ব্ৰতী হ'ল। এই সেৱাৰ ফলত বিশ্বৰ অধিপতি হোৱাৰ জোখাৰে পুণ্য আপুনি আৰ্জিলে, কিন্তু এতিয়া আৰু সেই আকাংক্ষা নোহোৱা হ'ল; কিন্তু মোক যদি এই দেশৰ ৰজা কৰি দিয়ে—বৰ ভাল পাম।"

মাতংগ তান্ত্ৰিক সুধিলে সীতাৰামক, "ভগৰন্তৰ সাৱধানবাণী পাহৰিলাইনে?"

"নহয়, নাই পাহৰা। দেশৰ ৰজাৰ পদচ্যুতিও মোক নালাগে। ৰজা পুত্ৰহীন।

মাত্ৰ এজনী জীয়েক আছে তেওঁৰ। মই ৰাজকুঁৱৰীক বিয়া কৰাবলৈ বিচাৰোঁ।"

"তথাস্তু।" মাতংগই ক'লে।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক ক'লে, "হে ৰাজন্! মাতংগ তান্ত্ৰিকে তপস্যাৰ বলেৰে অপাৰ শক্তি আৰ্জিছিল, সেই শক্তিৰে সীতাৰামক ৰজা হোৱাৰ বৰ দিছিল। মোৰ মতে—এই কাৰ্য্য মাতংগৰ অবিবেকী-লক্ষ্যহীন কাৰ্য্য। সীতাৰামে বাদৰায়ণ মন্ত্ৰেৰেই নিজৰ ইচ্ছা পূৰণ কৰিছিল, কৰিব পাৰিছিল। এনেহেন স্বাৰ্থী মানুহ এজন যদি দেশৰ ৰজা হয়—প্ৰজাৰ কিমান দুৰ্গতি-দুৰ্দশা হ'ব যে—তাৰ লেখ-জোখ নাই। সীতাৰামৰ নিজৰ জীৱন পৰ-নিৰ্ভৰ, সি দুৰন্ত স্বাৰ্থপৰ; তথাপি মাতংগই কিয় তাক 'তথাস্তু' বুলি কৈছিল? মোৰ প্ৰশ্নৰ সঠিক উত্তৰ জানিও যদি নিদিয়া, ধ্ৰুব জানিবা তোমাৰমুৰ ফাটি চাৰিফাল হ'ব।"

বেতালৰ প্ৰশ্নৰ উত্তৰত বিক্ৰমাদিত্যই ক'লে, ৰজা "এই কথা মাতংগ তান্ত্ৰিকেও জানিছিল যে সীতাৰামে নিজে কোনো কাম নকৰে, মন্ত্ৰবলেৰে আনৰদ্বাৰা কৰায়। কিন্তু এই আচৰণ যে পাপ-আচৰণ সেই কথাটো সীতাৰামক বুজাবলৈহে মাতংগই তেওঁৰ আত্মকাহিনী কৈছিল। সীতাৰামে যিসকলৰপৰা অন্যায় সহায় মন্ত্ৰবলেৰে লৈছিল, ঢেৰ ধনৰ গৰাকী নোহোৱাকৈ সেই সহায়ৰ প্ৰতিদান তথা ক্ষতিপূৰণ দিয়াৰ একমাত্ৰ উপায় আছিল ৰজা হোৱা বা অন্ততঃপক্ষে ৰাজ-পৰিয়ালৰ সম্পৰ্কিত হোৱা। এই কাৰণেই, সীতাৰামৰ পাপমুক্তিৰ কথা চিন্তিয়েই মাতংগই 'তথাস্তু' বুলি কৈছিল।"

এই কথা কোৱাৰ লগে লগেই বেতালে সেই মৃতদেহটোৰে সৈতে পুনৰ সেই গছলৈ সাউতকৰে গুচি গ'ল। [কল্পিত

[আধাৰঃ বৰ্ণালী বৰাৰ ৰচনা]

মধ্য ভাৰতৰ দুৰ্গ

কথা : মীৰা উগ্ৰা চিত্ৰ : অৰিত্ৰ

মণ্ডু

আদি নাম আছিল মণ্ডপ দুৰ্গ । দক্ষিণ-পশ্চিম মধ্য প্ৰদেশৰ মণ্ডু দুৰ্গ ১২ শতিকাত পাৰমাৰ ৰজাসকলে নিৰ্মাণ কৰিছিল।

ছুলতান বাজ বহাদুৰ, যিগৰাকীয়ে ১৫৫০ চনত ৰাজত্ব কৰিছিল, তেওঁ আছিল সংগীতপ্ৰেমী আৰু স্থাপত্যবিদ্যাপ্ৰেমী। তেতিয়াৰ দিনৰ প্ৰখ্যাত গায়িকা ৰূপমতীৰ কাৰণে তেওঁ যি প্ৰাসাদ সাজিছিল, তাৰপৰা নৰ্মদা নৈ বৈ যোৱাৰ অপৰূপ দৃশ্য দেখা গৈছিল।

এসময়ত সম্ৰাট জহাংগীৰ অৰ্থাৎ জাহাংগীৰ এই প্ৰাসাদত সাত মাহ আছিলহি। তেওঁ ১৯৮খন চাপেৰে এটি প্ৰাসাদ সজাইছিল তেওঁৰ ৰাণী নূৰজহাঁৰ অৰ্থাৎ নূৰজাহানৰ কাৰণে। প্ৰতিটো চাপত দুটাকৈ সোণৰ মোহৰো দিয়া ইছিল গছকি যাবৰ কাৰণে।

গ্বালিয়ৰ দুৰ্গ, যি-দুৰ্গ ঋষি গ্বালিপৰ নামেৰে নামকৰণ কৰা হৈছিল, ৫২৫ খৃষ্টাব্দত সূৰযসেনে নিৰ্মাইছিল। এই দুৰ্গ থিয় পাহাৰৰ সমতল টিঙৰ ওপৰত সজোৱা হৈছিল আৰু টোমাৰা ৰজা-সকলৰ আমোলত এই দুৰ্গৰ গৌৰৱ বৃদ্ধি হৈছিল (১৩৮৮—১৫১৮)।

এই দুৰ্গত মান সিঙে বিখ্যাত 'মান-মন্দিৰ' নিৰ্মাণ কৰিছিল। চাৰি মহলীয়া মান-মন্দিৰৰ দুমহলা আছিল ভূগৰ্ভত।

মান-মন্দিৰ : গ্বালিয়ৰ

সংগীত আৰু শিল্পকলাৰ তেতিয়া জয়জয় ময়ময়। মুহম্মদ ঘাউছ আৰু তেওঁৰ শিষ্য তানসেন গ্বালিয়ৰৰ অধিবাসী আছিল। এওঁলোকৰ সাংগীতিক ঐতিহ্যৰেপৰাই 'গ্বালিয়ৰৰ ঘৰানা'ৰ জন্ম।



তানসেনৰ সমাধি



আদিনাথ-মূৰ্তি

জৈন তীৰ্থংকৰসকলৰ বিশাল মূৰ্তি উৰ্বহী তোৰণৰ ওচৰত অৱস্থিত। আদিনাথ-মূৰ্তি ১৯ ফুট ওখ।

১৮৫৭ খৃষ্টাব্দত, সেই মহাবিদ্ৰোহৰ দিনত গ্বালিয়ৰৰ সৈন্যইতে বিদ্ৰোহত যোগ দিছিল আৰু লক্ষ্মীবাঈ আৰু তাত্যা তোপে (তান্তীয়া টোপি)-ই নেতৃত্ব দিছিল। ১৮৫৮ খৃষ্টাব্দৰ মে' মাহত উভয়ৰ নেতৃত্বত বৃটিছৰ অন্যতম সহযোগী সিন্ধিয়া ৰজাইতক খেদি গ্বালিয়ৰ অধিকাৰ কৰা হ'ল আৰু বন্দী কৰি আগ্ৰালৈ লৈ যোৱা হ'ল। কিন্তু স্যাৰ হিউৰোজে এওঁলোকক ঘূৰাই আক্ৰমণ কৰিলে আৰু এই আক্ৰমণত ১৮৫৮ খৃষ্টাব্দৰ ১৭ জুনৰ দিনা লক্ষ্মীবাই নিহত হ'ল। তেওঁৰ সমাধি অদ্যাপি তাত বিদ্যমান।

মধ্যভাৰতৰ চু না ৰ, ৰোহটাছগড় আৰু কালিঞ্জাৰ দুৰ্গসমূহ অজেয় বুলি কোৱা হৈছিল। কিন্তু শেৰ খাঁ-ই (শেৰ শাহ শূৰ) তিনিওটা দুৰ্গ অধিকাৰ কৰিছিল, বিশেষ বিশেষ অৱস্থাত।



উত্তৰ প্ৰদেশৰ পূবদিশত অৱস্থিত চুনাৰ দুৰ্গ বিন্ধ্যপৰ্বতৰ গাত অৱস্থিত। এই পৰ্বতৰ তথা দুৰ্গৰ এফালে সুবিস্তৃত গংগা প্ৰবাহিত, যাৰ কাৰণে দুৰ্গত শত্ৰুৰ উপস্থিতিৰ সম্ভাৱনা নাই বুলিলেও অত্যুক্তি নহয়। কিন্তু এক অভিনৱ উপায়েৰে শ্বেৰ খাঁ-ই ১৫৩১ খৃষ্টাব্দত এই অজেয় দুৰ্গকো জয় কৰিছিল, আৰু ছুবেদাৰ তাজ খাঁৰ বিধৱা বেগম লড় মালিকাক বিবাহ কৰাই নিগাজী হৈ বহিছিল।

চুনাৰ দুৰ্গ

১৫৩৮ খৃষ্টাব্দত হুমায়ু (হুমায়ুন)ৰে চুনাৰ দুৰ্গ শ্বেৰ খাঁৰপৰা অধিকাৰ কৰিলে। তেতিয়া শ্বেৰ খাঁই এটি কৌশল অৱলম্বন কৰিসে আৰু ৰোহ্‌টাছগড় দুৰ্গত তেওঁ পা-পৰিয়ালে বসবাস কৰাৰ অনুমতি বিচাৰিলে। এই অনুমতিৰ অনুৰোধত ৰোহ্‌টাছগড়ৰ ৰাজপুত ৰজা সন্মত হ'ল আৰু ৭০০খন দোলা দুৰ্গৰ ভিতৰলৈ গ'ল। দুৰ্গৰ পৰীয়াইঁতে প্ৰথম ৫০খনমান দোলাত কি আছে কি নাই পৰীক্ষা কৰিছিল, কিন্তু পাছত আৰু পৰীক্ষা নকৰা হ'ল। আৰু এই বিৰাট এক আফঘান সৈন্যবাহিনী ৰোহ্‌টাছগড় দুৰ্গৰ ভিতৰ পাই ৰাজপুত সৈন্যইঁতক পৰাজিত কৰি শ্বেৰ খাঁই ৰোহ্‌টাছগড় দুৰ্গ অধিকাৰ কৰি ৰাজপুত ৰজাক খেদি পঠালে আৰু এইদৰে কাইমুৰ পাহাৰৰ অন্যতম দুৰ্গৰ পতন হৈছিল।

চুনাৰ আৰু ৰোহ্‌টাছগড়ৰ কাহিনীয়ে দেওকিনন্দন ক্ষত্ৰীক 'চন্দ্ৰকান্তা', 'ভূতনাথ', 'কুসুমকুমাৰী' আদি উপন্যাস লিখাত অৰিহনা যোগাইছিল।

ৰোহ্‌টাছগড় দুৰ্গ



ভাৰতৰ প্ৰাচীনতম দুৰ্গসমূহৰ অন্যতম হ'ল বিন্ধ্য পৰ্বতত থকা কালিঞ্জাৰ দুৰ্গ। গ্ৰিক ঐতিহাসিক টলেমিয়ে এই দুৰ্গক কাংগাউৰ দুৰ্গ বুলি অভিহিত কৰিছে।

এই দুৰ্গৰ অধিপতি আছিল কীৰ্তিসিংহ চান্দেলা। ১৫৪৫ খৃষ্টাব্দত শ্বেৰ শ্বাহ শূৰৰ সৈন্যবাহিনীয়ে এই দুৰ্গ অধিকাৰ কৰাৰ বাবে অৱৰোধ কৰিছিল। কিন্তু এবছৰতো অধিকাৰ কৰিব নোৱৰাত স্বয়ং শ্বেৰ শ্বাহই পৰিদৰ্শনলৈ আহিছিল।

কালিঞ্জাৰ দুৰ্গ

১৫৪৫ খৃষ্টাব্দৰ ২১ মে'ৰ দিনা আফঘান সৈন্যইঁতে দুৰ্গৰ তোৰণলৈ বিৰাট বৰতোপৰ গোলা দলিয়ালে ; কিন্তু দুৰ্গৰ বাহিৰত গুপ্তভাবে থৈ দিয়া খাৰ-বাৰুদৰ বিৰাট জুয়ে শ্বেৰ শ্বাহক বেয়াকৈ জখম কৰিলে। তেতিয়া শ্বেৰ শ্বাহৰ সৈন্যইতে সৰ্বশক্তিৰে পুনৰ দুৰ্গ আক্ৰমণ কৰি দুৰ্গৰ প্ৰাচীৰ কথমপি ভাঙি কীৰ্তিসিংহক হত্যা কৰিলে। কিন্তু এই বিজয় ব্যৰ্থ হ'ল, কিয়নো জখমী শ্বেৰ শ্বাহো ঢুকাল।

গংগা আৰু যমুনাৰ নদী-সংগমত, প্ৰয়াগৰ ওচৰত থকা ইলাহাবাদ (এলাহাবাদ) দুৰ্গ মুঘল (মোগল) সম্ৰাট অকবৰে সজাইছিল। তেওঁ ১৫৮৩ চনত ৩০০খন নাৱৰ এক সৰু নৌবহৰৰে সৈতে ইয়ালৈ আহিছিল, আৰু নৱেম্বাৰ মাহৰ ৪ তাৰিখে 'ইলাহাবাদ' (ইলাহাৰ আবাস), অৰ্থাৎ আল্লাহৰ বাসস্থান নিৰ্মাণৰ পত্তন কৰিছিল। যমুনা নৈৰ নিম্নধাৰা আৰু গংগাৰ খৰ স্ৰোতে এই দুৰ্গৰ নিৰ্মাণকাৰ্য্য কষ্টকৰ কৰি তুলিছিল। দুৰ্গ নিৰ্মাণত দহ বছৰ সময়ৰ আৰু তেতিয়াৰ কালৰ ৬ কৌটি টকাৰ আৱশ্যক হৈছিল।

১৩৮০ চনৰপৰা কুশাম্বীৰ অশোকস্তম্ভ ১৮৩৮ চনত বৃটিছ-কৰ্তৃপক্ষৰদ্বাৰা দুৰ্গৰ ভিতৰত প্ৰতিষ্ঠিত হৈছিল।

ইলাহাবাদ দুৰ্গ



© Amrita Bharati, Bharatiya Vidya Bhavan 1995

দৰ্জি আৰু কবি

কবি ভাস্কৰৰ তীব্ৰ আকাংক্ষা—ৰাজ-সন্মানলৈ। আৰু এই সন্মান লাভ কৰাৰ প্ৰথম খোজ হিচাপে ভাস্কৰকবিয়ে দেশৰ ৰজা উদয়ভানুৰ অপাৰ গুণৰ বৰ্ণনাৰে ভালেমান কবিতা ৰচিলে। কিন্তু ৰজাক শুনাব যে কেনেকৈ—সেই কথাটো ভাবি উলিয়াব নোৱাৰিলে।

এদিন ভাস্কৰকবি ৰাজধানীলৈ বুলি ৰাওনা হ'ল। ৰাজধানীলৈ যাওঁতে বিৰাট এডৰা অৰণ্যৰ কাযেদি যাব লাগে। অৰণ্যৰ কাষেদি গৈ থাকোতে লুটিয়াৰ এটাই কবি ভাস্কৰক ৰখাই আৰু ক'লে, "যি আছে দিয়া, নহ'লে জহন্নামলৈ যোৱা।"

"মোৰ ওচৰত এই হাতে-লিখা কাব্য-পুথিখনৰ বাহিৰে একোৱেই নাই। এই কাব্যপুথিখন ৰজাৰ ওচৰত পাঠ কৰিম, তেওঁ যদি তুষ্ট হৈ ধন দিয়ে, তোমাকো এভাগ দিম বাৰু।" ভাস্কৰকবিয়ে লুটিয়াৰটোক ক'লে।

ভাস্কৰ যে কবি—সেই কথা শুনি লুটিয়াৰটোৱে বিস্মিত দৃষ্টিৰে ভাস্কৰলৈ চালে আৰু ক'লে, "তুমি—কবি। তেনে-হ'লে আমাৰ গুৰুৰ ওচৰলৈ ব'লা।" এই বুলি কৈয়েই চকুত ক'লা কাপোৰেৰে বান্ধি লুটিয়াৰটোৱে ভাস্কৰক এঠাইলৈ লৈ গ'ল আৰু তাত ভাস্কৰৰ চকুৰপৰা কাপোৰৰ বান্ধোন খুলি দিলে।

লুটিয়াৰটোৱে ভাস্কৰৰ কথা—তাত বহি থকা শ্বেতশুভ্ৰ বস্ত্ৰ-পৰিহিত বয়সস্থ মানুহ এগৰাকীক ক'লে।

সেইগৰাকী মানুহে ভাস্কৰক ক'লে, "মোৰ নাম বিদ্যাধৰ। মই কাব্য-প্ৰেমী

দয়ানাথ দেউৰী



মানুহ। কাব্য ৰচনাৰ বাবে অৰণ্য অতি সুন্দৰ ঠাই। তুমি যদি কবি, কাব্যয়েই যদিহে তোমাৰ জীৱন, ইয়াত আমাৰ সৈতে বন্ধুভাবে থাকাঁ।"

ভাস্কৰে ক'লে, "কিন্তু মই কবি হিচাপে ৰাজ-সন্মান প্ৰাপ্তিৰ বাবেহে ওলাইছোঁ।"

"ৰাজ-সন্মান? এনে হেন তুচ্ছ আকাংক্ষা কোনো প্ৰকৃত কবিক নোশোভে। যেই কোনো ৰজা কবি এগৰাকীৰ তুলনাত নিকৃষ্ট। ৰজাহঁতে কবিসকলৰ দ্বাৰা নীচ কাম কৰায়।" বিদ্যাধৰে গহীন মাতেৰে ক'লে।

"আপুনি নিজে আছেহি অপৰাধীহঁতৰ লগত আৰু কৈছে ৰজাৰ নীচতাৰ কথা— এয়া দেখোন এক হাঁহি-উঠা কাণ্ড।" কবি ভাস্কৰে বিদ্যাধৰক ক'লে।

"মই যিসকলৰ লগত আছোঁহি, সিসকলৰ প্ৰকৃত পৰিচয় পালে তুমি নিশ্চয় মত সলাবা—মোটেও সলাবা।" বিদ্যাধৰে ক'লে।

গধূলি পৰতে বিদ্যাধৰে তাত থকা মানুহখিনিক ভাৰতগত পাঠ কৰি শুনালে। কিছুমানে প্ৰশ্নও কৰিলে, বিদ্যাধৰে সদুত্তৰেৰে বুজাই দিলে।

পাছদিনা, ভাস্কৰে যেতিয়া ৰাজ-ধানীলৈ বুলি খোজ ল'লে, তেতিয়া বিদ্যাধৰে ভাস্কৰক ক'লে, "কিয় গৈ আছা—তুমিহে জানিবা। ইয়াত নিৰ্মল পৰিবেশত থাকি ভালেই পালাহেঁতেন। আৰু ৰজাৰপৰা কিনো পাবা?"

তথাপি যেতিয়া ভাস্কৰে পুনৰ খোজ ল'লে, তেতিয়া বিদ্যাধৰে পুনৰ ক'লে, "এই অৰণ্যৰ সিমূৰত নাদপুৰ। নাদপুৰত মোৰ শিষ্য বল্লভ থাকে। বল্লভ এগৰাকী মহাকবি। শিষ্য বল্লভেও তোমাক যথেষ্ট কৰিব পাৰিব।"

কিন্তু নাদপুৰ পাই ভাস্কৰে আক-তাক সুধিও বল্লভক বিচাৰি উলিয়াব নোৱাৰিলে। শেহান্তৰত এজন গৰখীয়াক

ভাস্কৰে সুধিলে এই অঞ্চলত থকা বল্লভ নামৰ মানুহজনৰ কথা।

গৰখীয়াই কৈ উঠিল, "ওঁ, পাওঁ চিনি। মোৰেই নাম বল্লভ। কওক কি ক'ব।"

"তুমি—বল্লভ!" বিস্মিত ভাস্কৰে অবিশ্বাসৰ সুৰেৰে কৈ উঠিল, "তোমাৰ গুৰু বিদ্যাধৰে দেখোন বল্লভক মহাকবি বুলি কৈছিল!"

বল্লভে তেতিয়া নিজৰ কাহিনী ভাস্কৰক ক'লে।

"যদিও মই কৃষকৰ সন্তান, তথাপি, সৰুৰেপৰাই মোৰ মাজত কাব্যস্ফূৰ্তি হৈছিল। মই কবিতা লিখি পশু-পক্ষীকহে শুনাইছিলোঁ। এবাৰ আমাৰ গাঁৱলৈ মহাকবি বিদ্যাধৰ আহিল আৰু গধূলিৰ পৰতে গাঁৱৰ মন্দিৰত গোটখোৱা মানুহখিনিক তেওঁ মহাভাৰত পাঠ কৰি শুনাই আছিল। মই তেওঁৰ প্ৰভাৱেৰে প্ৰভাৱিত হৈ পৰিছিলোঁ। মই তেওঁক সুধিছিলোঁ, "মহোদয়, ক'ৰবাত কিবা সুন্দৰতা দেখা মাত্ৰেই মই কবিতাৰে তাৰ প্ৰকাশ কৰোঁ। কিন্তু মোৰেই ৰচা কোনো কোনো ফাকিৰ অৰ্থ মই নিজেই বুজি নাপাওঁ, আপুনি শুনি ক'বনে মোৰ ৰচনাৰ দোষ-ত্ৰুটি? এই কথা কৈ মই মোৰ কবিতা কিছুখিনি তেওঁক শুনালোঁ।"



অতি ধৈৰ্য্যেৰে বল্লভৰ কবিতা শুনি বিদ্যাধৰে ক'লে, "পুত্ৰ, তুমি হ'লা সহজ আৰু সহজাত কবি, এবছৰৰ ভিতৰত মই তোমাক মহাকবিৰ স্তৰ পোৱাম।"

"মই তেওঁৰ সৈতে গুচি গ'লোঁ। ভাষা-জ্ঞান লভিলোঁ। কাব্য ৰচিলোঁ। তেওঁ মোৰ কাব্যৰ পৰিপুৰ্ণ প্ৰশংসা কৰিলে আৰু ক'লে, 'কিন্তু বল্লভ, কবিতা শুনাবলৈ কদাপি কোনো ৰজাৰ কাষ নাচাপিবা।'

"গুৰুগৃহৰপৰা যেতিয়া ঘৰ পালোঁগৈ, তেতিয়া দেউতা মৃত্যুমুখী। ঘৰখনৰ দায়িত্ব মোৰ ওপৰত পৰিল। মোৰ যে আৰু কাব্যৰচনা নহ'ব সেই কথা স্পষ্ট।



মই এদিন ৰাজধানী পালোঁহি। কিন্তু ৰাজকীয় পৰিবেশ-পৰিস্থিতি মোৰ একেবাৰেই ভাল নালাগিল, মই ৰাজ-দৰ্শন নকৰাকৈয়েই উভতি আহিলোঁ। তেতিয়া আমাৰ গাঁৱৰে বিৰাট ধনীমানুহ ৰত্নদত্তই মোক প্ৰস্তাৱ দিলে যে তেওঁৰ একমাত্ৰ ছোৱালীজনীক যদি মই বিয়া কৰাই তেওঁৰ ঘৰতে ঘৰ-জোঁৱাই হিচাপে থাকোঁ, তেনেহ'লে মোৰ মৃত্যুমুখী দেউতাৰ যাৱতীয় চোৱা-মেলাৰ দায়িত্ব তেওঁ বহন কৰিব, মই নিশ্চিন্তে কাব্য ৰচিব পাৰিম। ৰত্নদত্তৰ কথাত মই সন্মত হ'লোঁ আৰু তেওঁ ছোৱালীজনীক—মাধুৰীক বিয়া কৰালোঁ। বিয়াৰ পাছততহে জানিলোঁ মাধুৰী কিমান মধুৰ। তাই মোক কথাই-পতি গালি পাৰে, দিনৰ দিনটো খটুৱাই মাৰে। গৰু-ভেড়া চৰোৱাৰ কামো কৰায়। এতিয়া অৱশ্যে মই—চৰণীয়া পথাৰলৈ যোৱাৰ পাছত—কাব্য ৰচনাত কিঞ্চিত মন দিব পাৰিছোঁ।"

তাৰ পাছত, বল্লভৰপৰা বিদায় লৈ, ভাস্কৰ পুনৰ ৰাজধানীমুৱা হ'ল। বল্লভে ভাস্কৰক ক'লে, "ৰাজধানীত বেদাচাৰ্য্য নামৰ এগৰাকী মহান কবি আছে, তেওঁক লগ ধৰিলে, তেওঁ আপোনাক সহায় কৰিব পাৰিব।"

ভাস্কৰে ৰাজধানী পালেগৈ, বেদাচাৰ্য্যকো ৰাজধানীৰ এক আওহতীয়া বস্তিত বিচাৰি পালে। তাত বেদাচাৰ্য্যই দুখীয়াইতৰ মাজত থাকি চিকিৎসা কৰে। কিন্তু 'মহান কবি' এগৰাকীয়ে কিয় চিকিৎসাৰ জীৱিকা ল'ব—সেই ৰহস্য ভাস্কৰে ভাবি উলিয়াব নোৱাৰিলে। তথাপি ভাস্কৰ বেদাচাৰ্য্যৰ ওচৰলৈ গ'ল।

ভাস্কৰৰ কথা মনযোগৰে শুনি বেদাচাৰ্য্যই ভাস্কৰক ক'লে, "বোপা, ৰজাৰ আশ্ৰয় বা সাহচৰ্য্য লাভৰ কাৰণে কবি এগৰাকীয়ে যথেষ্ট অৰমাননাকৰ মূল্য দিব লাগে, যি মূল্যক নৰক-যাতনা

বুলিয়েই ক'ব পাৰি। এই সত্য জানি বিদ্যাধৰ মহাকবি অৰণ্যবাসী হ'ল, বল্লভ হ'ল ঘৰ-জোঁৱাই তথা গৰখীয়া, আৰু মই হ'লোঁ—দেখিছাই—দুখীয়া হুঁতৰ বেজ। বাৰু বাদ এইবোৰ কথা। তুমি কি কাব্য ৰচিছা—চাওঁচোন এবাৰ— ।"

ভাস্কৰে তেওঁৰ কাব্যগ্ৰন্থ বেদাচাৰ্য্যৰ হাতত দিলে। বেদাচাৰ্য্যই ভাস্কৰৰ কাব্য-পুথিখনৰ কিছুমান পাত পাঠ কৰি ক'লে, "এতিয়া আৰু তোমাৰ বিষয়ে মোৰ বিন্দুমাত্ৰ সন্দেহো নাই। তুমি ৰজাৰ দাস্যবৃত্তি কৰিবলৈ সাজু হৈয়েই ৰাজ-স্তুতিমূলক কাব্য ৰচিছা। তোমাৰ কাব্য হ'ল ৰাজকীয় দাস্যবৃত্তিমূলক কাব্য। তুমি ৰজাৰ দাস-বৃত্তি কৰিবলৈ কঁকালত টঙালি বান্ধিলাই। গতিকে ৰজাৰ আশ্ৰয় তুমি নিশ্চয় পাবা, কিন্তু 'কবি' নামৰ যোগ্য কদাপি নহ'বা।"

ক্ৰুদ্ধ ভাস্কৰে কৈ উঠিল, "মই কিনো দাস্যবৃত্তি কৰিলোঁ বুজাই ক'বনে ?"

"তোমাৰ কাব্যপুথিত ৰজা চন্দ্ৰভানুৰ অপাৰ স্তুতি পৰিলক্ষিত হৈছে। এইবোৰ স্তুতি বা প্ৰশংসাৰ এটা গুণো ৰজা চন্দ্ৰভানুত নাই। ৰজা চন্দ্ৰভানুৱে—দৰ্জিৰে চোলা চিলাই কৰোৱাৰ দৰে কবিৰে নিজৰ প্ৰশংসামূলক কাব্য ৰচায় তেনেকুৱা ৰজা আৰু তেনেহেন কবি—উভয়েই আমাৰ বিচাৰত নিম্নশ্ৰেণীৰ।" বেদাচাৰ্য্যই নিৰুত্তাপ কণ্ঠেৰে ক'লে।

এইবাৰ কবি ভাস্কৰৰ জ্ঞানোদয় হ'ল। পাছত তেওঁ ৰাজধানীৰ পুস্তকালয়ৰপৰা বিদ্যাধৰ, বল্লভ আৰু বেদাচাৰ্য্যৰ কাব্যগ্ৰন্থ কিনি লৈ, ৰাজ-দৰ্শন নকৰাকৈয়েই নিজ গাঁৱলৈ উভতি আহিল। কবি ভাস্কৰে বন্দৰস্তীমূলক সন্মানৰ লাজলগা কথাবোৰ বিস্মৃত হৈ, প্ৰশান্তভাবে কাব্য ৰচনা কৰি দেশৰ আপামৰ জনসাধাৰণৰ প্ৰশংসা তথা সন্মানেৰে জীৱন অতিবাহিত কৰিছিল।



হেৰায় য'ত পায় ত'ত

ঘৰুৱা জীৱনত শংকৰৰ বিতৃচিনা লাগি গ'ল। দিনে-নিশাই শাহুৱেক-বোৱাৰীয়েকৰ কাজিয়া-কন্দল। ছেদ-ভেদ নাই। শংকৰে বহুত চেষ্টা কৰিলে এইবোৰ অৰ্থহীন কাজিয়া-কন্দলৰ অন্ত পেলাবলৈ। প্ৰতিকাৰৰ কোনো আশা নেদেখি, এদিন গৃহত্যাগী হৈ গুচি গ'ল।

গৈ গৈ — বহুদিনৰ অন্তত এঠাইত আশ্ৰম এখন পাই—এখোজ-দুখোজকৈ আশ্ৰমৰ ভিতৰলৈ সোমাই গ'ল।

আশ্ৰম-পিতা বিবেকস্বামীয়ে শ্ৰান্ত-ক্লান্ত শংকৰক সুধিলে, "বোপা, তোমাক কি লাগে?"

"হে গুৰুদেৱ! মোক আপোনাৰ চৰণতলত স্থান দিয়ক, মোক শিষ্যৰূপে গ্ৰহণকৰক, আপোনাৰ সেৱাতে এই জীৱন অতিবাহিত কৰিম।" শংকৰে ক'লে।

বিবেকস্বামীয়ে শংকৰলৈ তীক্ষ্ণ দৃষ্টিৰে চালে আৰু ক'লে, "আমাৰ ইয়ালৈ বিদ্যাভ্যাসৰ কাৰণে ব্ৰহ্মচাৰী আহে, ব্ৰহ্মচাৰীহঁতকহে মই মোৰ শিষ্যৰূপে লওঁ। কিন্তু তোমাক দেখোন গৃহী যেনহে লাগিছে। তুমি বিদ্যাভ্যাসৰ কাৰণে আহিছা বুলিও ভাবিব পৰা নাই মই।"

শংকৰে বিনম্ৰভাৱে ক'লে, "হে স্বামী, আপুনি সৰ্বজ্ঞ। আপোনাৰ ওচৰত সত্য লুকাই পাপৰ ভাগী নহওঁ। মই গৃহী। কিন্তু মোৰ পৰিবাৰ হ'ল দন্দ-কিনা তিৰোতা, মোৰ মা-ও—ক'ব নাপায় যদিও—বৰ কম নহয়। এই দুয়ো জনীয়ে মিলি ঘৰখনক নৰকহেন কৰি তুলিছে বুলিহে মই প্ৰায় বাধ্যত পৰি গৃহত্যাগী

হৈছোঁ। মোক দয়া কৰক, মোক আপোনাৰ চৰণত স্থান দিয়ক।"

এই আশ্ৰমত যে কোনো গৃহীৰ স্থান নাই—সেই কথা বিবেকস্বামীয়ে শংকৰক স্পষ্টকৈ ক'লে। কিন্তু তথাপি শংকৰ বজৰলেপৰ দৰে লাগি থকাত বিবেক-স্বামীয়ে শংকৰক সাময়িকভাৱে থকাৰ অনুমতি প্ৰদান কৰিলে আৰু ক'লে, "এতিয়া থাকা,পাছত বিচাৰ-বিবেচনা কৰি চাম—তোমাৰ বিষয়ে কি কৰিব পাৰি।"

সাত দিনো পাৰ নহ'ল শংকৰৰ পক্ষে এই কঠোৰ আশ্ৰম-জীৱন অসহ্য হৈ উঠিল। আশ্ৰমৰ কঠিন-কঠোৰ-কটকটীয়া ৰীতি-নীতি পালন কৰাটো যে তাৰ পক্ষে সম্ভৱ নহয়, আশ্ৰম-জীৱনতকৈ যে অঘৰীৰ জীৱনো কাম্য, সেই কথা শংকৰে হাড়ে-হিমজুৱে ঠাৱৰ কৰিলে।

শংকৰে আশ্ৰমৰ বাৰান্দাত শুইছিল। এনিশা বিবেকস্বামীয়ে শংকৰক টোপানিৰ-পৰা জগালেহি। এনে মাজনিশাখন স্বামীজীক দেখি শংকৰ বিভ্ৰান্তৰ দৰে হৈ পৰিল শংকৰে টোপনিসনা দৃষ্টি মেলি সুধিলে, "গুৰুদেৱ, কথানো কি?"

"ব্যস্ত নহ'বা, বৰ গুৰুত্বপূৰ্ণ কিবা নহয়। মোৰ জপৰ মালাধাৰ বিচাৰি পোৱা নাই। ঢেৰ বিচাৰিলোঁ, কিন্তু সেই জপমালা নাপালোঁ। জপমালা বিচাৰি উলিউৱাত মোক অলপ সহায় কৰি



দিবানে ?" এই বুলি কৈ, বিবেকস্বামীয়ে শংকৰক আশ্ৰমৰ বাহিৰলৈ লৈ গ'ল।

"গুৰুদেৱ! আপুনি শোৱাৰ আগতে ক'ত জপমালা থৈছিল—মনত পৰেনে ?"

"থৈছিলোঁ—ঘৰতেই।"

বিবেকস্বামীৰ কথাৰ উত্তৰত শংকৰে ক'লে, "গুৰুদেৱ, তেনেহ'লে বাহিৰত বিচাৰি কি হ'ব। বস্তু—য'ত হেৰায় তাতেই পায়। ব'লক, আমি ঘৰলৈ যাওঁ, হেৰোৱা বস্তু ঘৰতে পাম।"

শংকৰৰ কথাৰ উত্তৰত বিবেকস্বামীয়ে মিচিকীয়াই হাঁহি ক'লে, "তুমি—ঠিকেই কৈছা কথাষাৰ। কিন্তু তুমিও দেখোন একেই কাম কৰিলা। তোমাৰ ঘৰতে হেৰোৱা সুখ-শান্তি বিচাৰি বাহিৰত অনাই-বনাই ফুৰা নাইনে তুমি ?"

গুৰুদেৱৰ এই কথাৰ গূঢ়াৰ্থ শংকৰৰ অবিদিত হৈ নাথাকিল, শংকৰে মনে চিতে উপলব্ধি কৰিলে আৰু বিবেকস্বামীৰ চৰণত পৰি প্ৰণাম কৰি তেতিয়াই ঘৰলৈ বুলি খোজ ল'লে।

গুৰু বিবেকস্বামীয়ে শংকৰক ৰখালে আৰু ক'লে, "ইমান খৰ-খেদা কিহলৈ ? ৰাতি পুৱাওক, পৰিবাৰক লগত লৈ দুয়ো ৰংমনে গুচি যাবাগৈ।"

পৰিবাৰৰ কথা শুনি শংকৰ স্তম্ভিত-বিভ্ৰান্ত হৈ পৰিল। গুৰুদেৱে যি ক'লে, তাৰপৰা শংকৰে জানিলে তাৰ পৰিবাৰে তাক বিচাৰি বিচাৰি আজি এই আশ্ৰম পাইছিলহি, আৰু—আৰু কেতিয়াও তাই দন্দ-বান্দ নকৰিব বুলি গুৰুৰ চৰণ চুই শপত খাইছিলহি। শংকৰৰ মাকেও হেনো মন-পৰিৱৰ্তন কৰিছিল।

ৰাতি পুৱাল। শংকৰ আৰু তাৰ পৰিবাৰে বিবেকস্বামীক প্ৰণাম কৰি নিজ গাঁৱলৈ বুলি গুচি গ'ল।

আৰু—ঘৰৰ হেৰোৱা শান্তি ঘৰতেই বিচাৰি পোৱা হ'ল।



মহাভাৰত

১৩

সন্তানেচ্ছা বুকুত বান্ধি লৈ ৰজা দ্ৰুপদ আশ্ৰমে আশ্ৰমে পৰিভ্ৰমণ কৰি থাকিল। তেওঁ কত যে আশ্ৰম-মুনিৰ সেৱা কৰিলে, কিন্তু একো ফল নহ'ল। তেওঁৰ বাসনা মাত্ৰ এটি পুত্ৰ আৰু এজনী কন্যা তেওঁক লাগে। পুত্ৰদ্বাৰা তেওঁ তেওঁৰ মহাশত্ৰু দ্ৰোণক বধিব। দ্ৰোণই তেওঁৰ ৰাজ্য কাঢ়ি লৈছিল। পাণ্ডৱৰ সহায়তাৰে তেওঁক পৰাজিত কৰিছিল। এই অৰ্জুনে তেওঁক বন্দী কৰি আনি গুৰুদক্ষিণা প্ৰদান কৰিছিল। আৰুএই অৰ্জুনকে তেওঁ জোঁৱায়েক কৰিব—এই বাসনাও দ্ৰুপদত আছে। কিন্তু কেনেকৈ কি হ'ব? বাসনাহে আছে, উপায় তো একো দেখা নাই। আশা পূৰাবৰ উপায় কি?

ঘূৰি ঘূৰি ক্লান্ত হৈ এদিন ৰজা দ্ৰুপদে গংগা-তটস্থিত আশ্ৰম এখন পালেহি। এই আশ্ৰমত আছিল যাজ আৰু উপযাজ নামৰ ককায়েক-ভায়েক, এওঁলোক আছিল সূৰ্য্যোপাসক, কাশ্যপগোত্ৰীয়।

দ্ৰুপদে উপযাজক অধিক তপস্যাৱান-তপোবলসম্পন্ন বুলি ভাংবি উপযাজৰ ওচৰলৈ গ'ল আৰু পৰম শ্ৰদ্ধা-ভকতিৰে তেওঁৰ সেৱা কৰি থাকিল।

কিছুদিনৰ অন্তত মুনি উপযাজৰ ভৰি পিটিকি থাকোঁতে উপযাজক দ্ৰুপদে ক'লে, "মুনিবৰ, দ্ৰোণই মোক অপমান কৰিলে আৰু মোৰ ৰাজ্যও অন্যায়ভাবে কাঢ়ি



মুনিয়ে দ্রুপদক ক'লে, "ৰাজন্, তুমি নিষ্ঠাৰেই মোৰ সেৱা কৰিছা, আৰু তোমাৰ যেইকোনো সদিচ্ছা মই পূৰণ কৰিলোহেঁতেন; কিন্তু তোমাৰ এই ইচ্ছা হ'ল অসৎ অন্যায় অনুচিত ইচ্ছা। এই বিষয়ে মই কদাপি তোমাক সহায় নকৰিম। পিছে—তুমি মোৰ জ্যেষ্ঠভ্ৰাতাৰ ওচৰলৈ গৈ চাব পাৰা। তেওঁ আজি-কোপতি লোভমুক্ত তথা খ্যাতিৰ মোহমুক্ত হ'ব পৰা নাই। তেওঁক যদি কিছু সংখ্যক গো-ধন প্ৰদান কৰা, তেনেহ'লে তোমাৰ আশা পূৰিব পাৰে। জিভাৰে সোৱাদ যেন পালে তেওঁ যেইকোনো বস্তু ভক্ষণ কৰিব পাৰে। ঐহিক সুখলৈ তেওঁ এতিয়াও গুৰুত্ব প্ৰদান কৰে।"

মুনি উপযাজে কোৱা মতে দ্রুপদ যাজ মুনিৰ কাষ চাপিল আৰু বিনম্ৰতাৰে প্ৰণাম কৰি দণ্ডায়মান হ'ল। দ্রুপদে আশী সহস্ৰ গাভী যাজ মুনিক দিলে আৰু তেওঁক মনৰ কথা ক'লে।

যাজ মুনি দ্রুপদৰ প্ৰস্তাৱত সন্মত হ'ল। তেওঁ উপযাজক সহকাৰী হিচাপে লৈ দ্রুপদৰ কাৰণে এক বিশাল সন্তান-যজ্ঞ পাতিলে। দ্রুপদ-পত্নী কোকিলা দেৱীক মতাই অনোৱা হ'ল আৰু দ্রুপদ-পত্নীক কোৱা হ'ল: এই আহুতি লোৱা, এই

ল'লে, "পাণ্ডৱ-কৌৰৱহঁত দ্ৰোণৰ শিষ্য, আৰু সিহঁতে, বিশেষকৈ পাণ্ডৱহঁতে সিহঁতৰ অস্ত্ৰগুৰু দ্ৰোণৰ কাৰণে কৰিব নোৱৰা কাম নাই। দয়া কৰি, হে মুনিবৰ, মোক এটি পুত্ৰ প্ৰদান কৰক, যি-পুত্ৰই মোৰ ৰাজ্যপাট দখলকাৰী দ্ৰোণক বধিব পাৰিব। তেতিয়া মোৰ এই ব্যৰ্থ জীৱন সাৰ্থক হ'ব।"

উপযাজ মুনি দ্রুপদৰ প্ৰস্তাৱত সন্মত নহ'ল। কিন্তু তথাপি তেওঁ নিৰাশ নহৈ তাতেই থাকি উপযাজ মুনিৰ সেৱা সৰ্বশকতিৰে কৰি থাকিল।

বহুদিনৰ অন্তত এদিন প্ৰাজ্ঞ উপযাজ

আহুতিৰে তোমাৰ এটি পুত্ৰ আৰু এজনী কন্যাসন্তান জনমিব।

কোকিলাদেৱীয়ে ক'লে, "মুনিবৰ, মই স্নানাদি কৰি শুদ্ধ হৈ আহোঁগৈ, তেতিয়া আহুতি গ্ৰহণ কৰিম।"

"মই আৰু মোৰ ভ্ৰাতাই মিলি যি আহুতি সৃজিলোঁ তাৰে তোমাৰ মনোবাসনা সুপূৰিব বুলি ভাবিছানে কি? নিলে নিয়া, নহ'লে যোৱা।" এই বুলি কৈ, সেই আহুতি যাজ মুনিয়ে যজ্ঞাগ্নিলৈ দলিয়াই পেলালে, আৰু লগে লগে সেই অগ্নিকুণ্ডৰপৰা ধনুৰ্বাণ হাতত লৈ যোদ্ধা এজন ওলাই আহিল। এই যোদ্ধাৰ মূৰত আছিল মণি-ৰত্নখচিত মুকুট। যোদ্ধাই সিংহনাদ কৰি তাৰপৰা গুচি গ'ল।

তাৰ পাছত সেই অগ্নিকুণ্ডৰপৰা এক তেজস্বিনী ছোৱালী ওলাই আহিল। এই দুজনেই হ'ল দ্ৰুপদৰ পুত্ৰ-পুত্ৰী। এই পুত্ৰ-পুত্ৰীৰ সম্বাদ শুনি সমগ্ৰ পঞ্চালদেশত আনন্দৰ জোৱাৰত উটিল।

দ্ৰুপদ-পুত্ৰৰ নামকৰণ হ'ল—ধৃষ্টদ্যুম্ন। পুত্ৰীৰ গাৰ বৰণ ক'লা হোৱাত তাইৰ নামকৰণ হ'ল—কৃষ্ণা, অন্যনাম দ্ৰৌপদী।

কিছুদিনৰ অন্তত পুত্ৰ ধৃষ্টদ্যুম্নক অস্ত্ৰবিদ্যা শিকাবলৈ দ্ৰুপদে দ্ৰোণাচাৰ্য্যৰ ওচৰলৈ পঠালে আৰু দ্ৰোণয়ো ধৃষ্টদ্যুম্নক শিষ্যৰূপে গ্ৰহণ নকৰি নোৱাৰিলে, কিয়নো, যদি তেওঁ প্ৰাৰ্থীক প্ৰত্যাখ্যান





কৰে, তেওঁৰ দুৰ্নাম পৰিব্যাপ্ত হ'ব।

এতিয়া দ্ৰুপদ-পুত্ৰী দ্ৰৌপদী বিবাহ-যোগ্য হ'ল। তেওঁৰ ইচ্ছা আছিল দ্ৰৌপদীৰ বিবাহ অৰ্জুনৰ সৈতে হওক। কিন্তু পাণ্ডৱসকল জতুগৃহতে পুৰি মৰিল। অতঃপৰ তেওঁ কন্যা দ্ৰৌপদীৰ বিবাহৰ কথাত তেওঁৰ মন্ত্ৰিমণ্ডলীৰ সৈতে আলচ-বিলচ কৰিবলৈ ক'লে।

দ্ৰুপদৰ হিতৈষী পুৰোহিত এজনে দ্ৰুপদক ক'লে, "মহাৰাজ, পাণ্ডৱসকল এতিয়াও জীৱিত বুলিয়েই মোৰ ধাৰণা হৈছে। এই বিষয়ে বহুতেই একমত যে—পাণ্ডৱসকলৰ মৃত্যু হোৱা নাই। আমাৰ ৰাজকুঁৱৰীৰ স্বয়ম্বৰ পাতিলেই কথাষাৰৰ সত্যাসত্য ওলাই পৰিব। মোৰ বিশ্বাস—স্বয়ম্বৰলৈ অৰ্জুনো আহিব।"

তিনি মাহৰ অন্তত স্বয়ম্বৰ পতা হ'ব স্থিৰীকৃত হ'ল। এনেকুৱা বুলি এক ধনুৰ নিৰ্মাণ কৰা হ'ল, যি-ধনুষ যেৰে-সেৰে দাঙিবই নোৱাৰিব। আৰু শূন্যত পাক খাই থকা চক্ৰটোৰ বিন্ধা এটাত এক স্বৰ্ণ-মৎস্য থৈ দিয়া হ'ল।

ইপিনে—দ্ৰোণাচাৰ্য্যক হত্যা কৰাৰ বাবে ষড়যন্ত্ৰৰ কথা পাণ্ডৱসকলৰ কৰ্ণ-গোচৰ হ'ল। তেওঁলোক ব্যথিত আৰু ক্ৰুদ্ধও হৈ উঠিল; কিন্তু কাৰ্য্যতঃ তেওঁ-লোক উপায়হীন। তেওঁলোকে এই কথা ভাবি নিজক শান্ত কৰিলে যে—নিয়তি কেন বাধ্যতে। নিয়তিক এৰাব পৰা শক্তি বিশ্বজগতত কাৰো নাই, যি ঘটিবলগা, অৱশ্যেই ঘটিব।

কিন্তু দ্ৰৌপদীৰ স্বয়ম্বৰলৈ যোৱাৰ মন আছিল পাণ্ডৱৰ। ভাগ্যই যে এই কাৰ্য্যত তেওঁলোকক কিয় প্ৰৰোচিত কৰিছে—সেই কথা কোনে ক'ব।

কুন্তীয়ে পাণ্ডৱসকলৰ মনৰ ইচ্ছা উমানতে ধৰিব পাৰি ধৰ্মৰাজ যুধিষ্ঠিৰক ক'লে, "পুত্ৰ, আমি একচক্ৰাপুৰত থকা ভালেমান দিন হ'ল। ইয়াত আৰু অধিক

কাল থাকিলে আমি কিজানি আৰু ভিক্ষাও নাপাম। ব'লা, আমি পঞ্চালদেশলৈ যাওঁ। পঞ্চালদেশখন ধনে-ধানে ঐশ্বৰ্যময় বুলি শুনিছোঁ, বিশেষকৈ পঞ্চালৰ ৰাজধানী কাম্পিল্যনগৰ। আৰু ৰজা দ্ৰুপদ হেনো ব্ৰহ্মণৰ ওপৰত সদায় সদয়।"

তাৰ পাছত এদিন সৰ্বপাণ্ডৱৰ সন্মতিক্ৰমে পাণ্ডৱসকল পঞ্চালদেশলৈ বুলি ওলাল। ত্ৰিদিৱস বাট বুলি বুলি এদিন মাজনিশা তেওঁলোক গংগা-তট পালেগৈ। সেই ঠাই আছিল সৌমশ্ৰৱ নামক তীৰ্থস্থান। তেতিয়া ঘনান্ধকাৰ। জোঁৰ জ্বলাই লৈ অৰ্জুন আগে আগে চলি আছিল। অৰ্জুনে স্নান সমাপন কৰিব বুলি ভাবি আগুৱাই গৈ আছিল তেতিয়া গংগাৰ বুকুত এক গন্ধৰ্বই পত্নীৰে সৈতে জলক্ৰীড়া কৰি আছিল। মানৱৰ কণ্ঠস্বৰ শুনি গন্ধৰ্বই চিঞৰি উঠিল, "তোমালোক কোন? শীঘ্ৰে ইয়াৰপৰা গুচি যোৱা। ৰাতিৰ এহি পৰতে এহিস্থানত মনুষ্যৰ সঞ্চাৰ নিষিদ্ধ।"

অৰ্জুনে কৈ উঠিল, "আৰে দুষ্ট, হিমালয় আৰু গংগা কাৰো বাপতি-সাহোন নহয় নহয়—? হিমালয় আৰু গংগা সৰ্বত্ৰ সৰ্বকালত সৰ্বতিক্ষণ সৰ্বলোকৰ। গংগা-দৰ্শন কৰা মাত্ৰেই স্নান অনিবাৰ্য্য। তুমি কোন—তাৰ পৰোৱা মই নকৰোঁ। জানি থোৱা, তুমি তোমাৰ বিপদক নিজেই মাতি আনিছা, পাছত

Sankar

কিন্তু এই কথাত পস্তাব লাগিব।"

গন্ধৰ্ব অংগাৰবৰ্ণ ক্ৰুদ্ধ হৈ উঠিল আৰু বাণ নিক্ষেপ কৰি থাকিল। পাণ্ডৱ যে কিমান শক্তিমান — গন্ধৰ্বই জানিব কেনেকৈ? গন্ধৰ্বই এৰা বাণ অৰ্জুনে জোঁৰেৰে প্ৰতিহত কৰিলে আৰু গন্ধৰ্বক ক'লে, "শুনা, তোমাৰ বাণে, বা তোমাৰ মন্ত্ৰ-তন্ত্ৰই আমাৰ অনিষ্ট কৰিব নোৱাৰে।" "এই বুলি কৈয়েই অৰ্জুনে আগ্নেয়াস্ত্ৰ প্ৰয়োগ কৰিলে আৰু গন্ধৰ্বৰ ৰথ ভস্মীভূত হৈ গন্ধৰ্ব ভূলুণ্ঠিত হৈ মূৰ্ছিত হৈ পৰিল।

এই পৰিস্থিতিত গন্ধৰ্ব-পত্নীয়ে ধৰ্মৰাজৰ শৰণ ল'লে আৰু তেওঁৰপৰা পতিৰ প্ৰাণভিক্ষা কৰিলে।

তেতিয়া ধৰ্মৰাজে অৰ্জুনক ক'লে, "এই নাৰীয়ে আমাৰ শৰণ লৈছে, গতিকে তেওঁৰ পতিক বধ কৰাটো অধৰ্ম হ'ব। শৰণাগতক ৰক্ষা কৰাটো আমাৰ ধৰ্ম। এই গন্ধৰ্বক ক্ষমা কৰা, তাক মুক্তি দিয়া।"

অগ্ৰজৰ কথা মানি অৰ্জুনে গন্ধৰ্বক মুক্তি দিলে।

তেতিয়া গন্ধৰ্বই অৰ্জুনক ক'লে, "মই তোমাৰ হাতত পৰাজিত। তুমি মহান বীৰ। মই তোমাক চাক্ষুষী-মন্ত্ৰ শিকাই দিম, যি-মন্ত্ৰৰ শক্তিৰে তুমি ত্ৰিলোকৰ সকলো ঘটনা দেখা পাবা। চাক্ষুষীমন্ত্ৰ

প্ৰদানৰ লগতে তোমালোকক কিছুমান দিব্য অশ্বও প্ৰদান কৰিম।"

অৰ্জুনে ক'লে, "কিন্তু আমি আনকি নিকটাত্মীয়ৰপৰাও একো গ্ৰহণ নকৰোঁ।"

গন্ধৰ্বই ক'লে, "তেহ'লে — মোক তুমিয়েই কিবা এটা দিয়া, আৰু তাৰ পৰিবৰ্তে মোৰপৰা লোৱা।"

এই কথাত অৰ্জুনে স্বীকৃতি দিলে।

তেতিয়া গন্ধৰ্বই অৰ্জুনক ক'লে, "তুমি ক্ষত্ৰিয়। গতিকে — কোনোবা এজন যোগ্য পুৰোহিত নিযুক্ত কৰা। নহ'লে তোমালোকৰ মংগল নহ'ব।"

তাৰ পাছত গন্ধৰ্বই অশ্ব প্ৰদান কৰিলে

আৰু পাণ্ডৱসকলৰপৰা বিদায় ল'লে।

এইবাৰ পাণ্ডৱসকলো পুনৰ ৰাওণা কৰিলে। গৈ গৈ তেওঁলোক উৎকোচ তীৰ্থ পালেগৈ। তাত ধৌম্য-ঋষিয়ে তপস্যা কৰি আছিল। পাণ্ডৱসকলে ঋষি ধৌম্যক প্ৰণাম কৰিলে আৰু তেওঁক তেওঁলোকৰ তেওঁলোকৰ পুৰোহিত হ'বলৈ সকাতৰে প্ৰাৰ্থনা জনালে।

ঋষি ধৌম্যই দিব্যদৃষ্টিৰে পাণ্ডৱসকলৰ বীৰতা, সাহস তথা প্ৰজ্ঞাৰ কথা সাষ্টাংগে জ্ঞাত হ'ল আৰু নিজক পৌৰোহিত্যৰ বাবে যোগ্য বুলি ভাবি সহৰ্ষ স্বীকৃতি দিয়া হ'ল।

ঋষি ধৌম্যই এই স্বীকৃতি দিয়াত পাণ্ডৱসকলে সসাগৰা ধৰণীৰ ৰাজত্ব পোৱা যেন পালে।

ঠিক তেতিয়াই কিছুমান মানুহ ঋষি ধৌম্যৰ আশ্ৰমলৈ আহিল। এওঁলোক দ্ৰৌপদীৰ স্বয়ম্বৰলৈ গৈ আছিল। পাণ্ডৱসকলেও ঋষি ধৌম্যক লগত লৈ দ্ৰৌপদীৰ স্বয়ম্বৰলৈ যোগ দিবলৈ ৰাওণা হ'ল। বাটত এগৰাকী ব্ৰাহ্মণে ব্ৰাহ্মণবেশী পাণ্ডৱসকলক সুধিলে, "তোমালোক ক'ৰপৰা আহিছা? ক'লৈ যাবা?"

"আমি একচক্ৰপুৰৰপৰা আহিছোঁ আৰু কাম্পিল্যলৈ গৈ আছোঁ।" ধৰ্মৰাজে ক'লে।

"আমিও তালৈকে যাবলৈ ওলাইছোঁ। তাত মহাৰাজ দ্ৰুপদৰ কন্যা দ্ৰৌপদীৰ স্বয়ম্বৰ পতা হৈছে। দ্ৰৌপদী হেনো অপৰূপ সুন্দৰী। ভাগ্য পৰীক্ষাৰ কাৰণে অসংখ্য ৰজা-ৰাজপুত্ৰ এই স্বয়ম্বৰলৈ আহিছে বুলি শুনিলোঁ। মহাৰাজে হেনো ব্ৰাহ্মণ-প্ৰাৰ্থীসকললৈ গো-দান, সুবৰ্ণ-দান আৰু অন্নদান কৰিব। সেই বৈভৱ চাবলৈহে আমি গৈ আছোঁ।" ব্ৰাহ্মণসকলে ক'লে।

আৰু সকলোটি মিলি দক্ষিণ পঞ্চালৰ কম্পিল্য নগৰলৈ বুলি খোজ ল'লে।

জীৱন-বিৰিখ

কিছুমান গছ আছে, কিছুমান ফুল আছে, যিবোৰে—সহজাতভাবেই মানুহৰ দৃষ্টিক আকৰ্ষণ কৰে। জীৱন-বৃক্ষতো তেনেকুৱাবিধৰ ফুল ফুলে আৰু মানুহৰ দৃষ্টিক আকৰ্ষণ কৰে। এই বৃক্ষৰ ফুল গোটেই বছৰ ধৰিয়েই ফুলে। হিন্দুসকলে এই ফুলেৰে পূজাৰ্চনা কৰে। বৌদ্ধধৰ্মাৱলম্বী আৰু মুছলমানসকলৰ মানত এই বৃক্ষ অমৰত্বৰ প্ৰতীক। কিয়নো, এই বৃক্ষক সমূলে উঘালি, পেলালেও পাছত পুনৰ এদিন লহপহীয়া হৈ উঠে, ফুলে ফুলে জাতিস্কাৰ হয়। এই কাৰণে, এই ফুলপুলিক 'জীৱন-বৃক্ষ' নামেৰে অভিহিত কৰা হয়।

এই ফুলগছ বৰ ওখ নহয় আৰু ঠাৰিবোৰ বেঁকা ধৰণৰ। ঠাৰিত খুচি দিলেই ঘন গাখীৰ ওলায়। এই ফুলগছক 'ফ্ৰান্‌জিপানী' বুলি সাধাৰণতঃ কোৱা হয়। 'ফ্ৰানজিপানী' নামৰ কাৰণ হিচাপে যি জনা যায়, তাৰ প্ৰথম কাৰণ হ'ল—হিন্দী 'ফিৰংগী পনীৰ' (পচিমীয়া ডাঠ পানীৰ); দ্বিতীয় কাৰণ—কোনোবা ফৰাছিয়ে কোৱা 'ফ্ৰাজে প্যানিয়ে'—যাৰ অৰ্থ হ'ল 'গোটমৰা গাখীৰ', আৰু তৃতীয় কাৰণ—এগৰাকী ইতালীয় লোকে এই ফুলৰপৰা উলিউৱা আতৰৰ এই নাম। সেই কাৰণেহে হেনো ইয়াক 'ফ্ৰান্‌জিপানী' বুলি কোৱা হয়। অসমীয়াত অৱশ্যে এই ফুল হ'ল 'গুলচীফুল' বা 'গুলঞ্চ', হিন্দীত 'চামেলী' বা 'গুলেচি', তামিলত 'কল্লিমন্দাৰি', তেলুগুত 'নুলুভাৰাহালু', কন্নড়ত 'কাছু ছামসে'ইজে', মৰাষ্টীত 'খয়িৰচম্পা', ওড়িয়াত 'গলুচি', বাংলাত 'চাঁপা' আৰু সংস্কৃতত 'ক্ষীৰচম্পা' বুলি কোৱা হয়। এই ফুল এই দেশৰে হয়নে নহয়, সেই কথা জনা নাযায়; যদিও সমগ্ৰ ভাৰতবাসীৰ পৰমপ্ৰিয় ফুল।

এই গছ মজলীয়া আকাৰৰ আৰু ডাল-পাত কম; পাত যাঠি-পতীয়া, ডালবোৰ ভোটোকা আৰু ফুলবোৰ আগ-জোঙা। ফলবোৰ দুই-শিঙীয়া ছেঁইধৰা বিধৰ।

গৃহসজ্জাৰ বাবে, আৰু বিশেষকৈ ঔষধিৰ বাবে এই 'জীৱন-বৃক্ষ' অতি মূল্যবান।

উদ্দালক

ভাৰতৰ সুপ্ৰাচীন যুগৰ অন্যতম খ্যাতনামা ঋষি আছিল উদ্দালক। তেওঁ তেওঁৰ শিষ্যসকলক উত্তমৰূপে বেদ শিক্ষা দিছিল। উদ্দালক ঋষি 'আৰুণি' নামেৰে অধিক খ্যাত আছিল; কিয়নো তেওঁৰ পিতৃৰ নাম আছিল 'অৰুণ'।

উদ্দালক তেওঁৰ শিক্ষাগুৰু ধৌম্যঋষিৰ আশ্ৰমত থাকি অধ্যয়ন কৰিছিল। এই আশ্ৰমৰ এক বিশাল হ্ৰদৰ ওচৰত আছিল। উদ্দালক আছিল শিক্ষাগুৰু ধৌম্যৰ শ্ৰেষ্ঠ ছাত্ৰইঁতৰ অন্যতম। ছাত্ৰ উদ্দালকে গুৰুৰে কোৱা মতে একাগ্ৰচিত্ততাৰে আৰু অতি বিশ্বস্ততাৰে শিক্ষাগ্ৰহণ কৰিছিল।

এনিশা মুষলধাৰে বৰষুণ দি থাকিল। গুৰু ধৌম্যই গমিলে যে হ্ৰদৰ তীৰৱৰ্তী খেতি-পথাৰৰ শস্য—যদি হ্ৰদৰ মথাউৰি কেনেবাকৈ ভাগি যায়—নিশ্চয় বিনষ্ট হ'ব। এই বিষয়ে যে কি কৰিব তেওঁ ভাবি উলিয়াব পৰা নাছিল।

তেতিয়া আৰুণিয়ে গুৰু ধৌম্যক ক'লে, "গুৰুদেৱ, মোক তালৈ যাবলৈ অনুমতি দিয়ক, তাৰ অৱস্থা চাওঁগৈ।"

বৰষুণ তেতিয়া আৰু নাই। গতিকে গুৰু ধৌম্যই আৰুণিক খেতি-পথাৰ চাই আহিবলৈ অনুমতি দিলে।

সেই ঠাই পাই আৰুণিয়ে নানান গছ-বনৰ ঠাল-ঠেঙুলি গোটাই জোঁৰ এযোৰ জ্বলালে আৰু সেই জোঁৰৰ পোহৰেৰে হ্ৰদস্থিত মথাউৰি ভাগি বেগেৰে পানী খেতি-পথাৰলৈ সোমাই অহা দেখা পালে। আৰুণিয়ে বোকা-মাটিৰে সেই পানীৰ প্ৰবাহ বন্ধ কৰিবলৈ চেষ্টা কৰিলে, কিন্তু ব্যৰ্থ হ'ল। তেতিয়া আৰু কোনো উপায় নেদেখি আৰুণিয়ে সেই ভয়ানক জল-প্ৰবাহৰ গতি ৰুদ্ধ কৰিবলৈ নিজেই তাত শুই পৰিল। কিন্তু

হিমচেঁচা পানী আৰু আন এজাক বৰষুণৰ ফলত তিতি-বুৰি জেপজেপীয়া হৈ আৰু হিমচেঁচা তীব্ৰ বতাহৰ ফলত আৰুণি আৰু তাত অচেতন হৈ পৰিল।

ইপিনে আৰুণি উভতি নহাত ঋষি ধৌম্য অতিপাত উদ্বিগ্ন হৈ উঠিল। তেতিয়া ৰাতি প্ৰায় শেষ হওঁ হওঁ। অতিশয় চিন্তা-জৰ্জৰিত মৰমিয়াল গুৰু ধৌম্যই তেওঁৰ আন কেইজনমান শিষ্যক লগত লৈ দ্রুতগতিৰে তালৈ গ'ল।

তেতিয়া বোৰাৰী পুৱা। সেই চকা-ছন্দা পোহৰত তেওঁলোকে বিস্ময়াভিভূত দৃষ্টিৰে দেখা পালে যে আৰুণি তথা উদ্দালক অচেতন অৱস্থাত মথাউৰিৰ ভগা ঠাইডোখৰত পথালিকৈ পৰি আছে।

শিষ্যহঁতে তেতিয়াই মথাউৰি মেৰামতিত লাগি পৰিল আৰু গুৰু ধৌম্যই শিষ্যআৰুণিক কোলাত দাঙি লৈ বেগাই আশ্ৰমলৈ উভতি আহিল।

পাছত, আৰুণিয়ে যেতিয়া চেতনা ঘূৰাই পালে, তেতিয়া গুৰু ধৌম্যই শিষ্য আৰুণিক ক'লে, "আৰুণি, তুমি প্ৰমাণ কৰিলা যে তোমাৰ শিক্ষা সম্পূৰ্ণ হ'ল।"

আৰুণি বিভিন্ন শাস্ত্ৰত সুপণ্ডিত, কিন্তু যিকোনো কৰ্তব্যকৰ্মতো যে দ্বিধাহীন, সেই কথাতহে গুৰু ধৌম্যই আৰুণিক তেনেকৈ কৈছিল। কৰ্তব্যই পাণ্ডিত্য-অপাণ্ডিত্য নাজানে। আৰুণিৰ কৰ্তব্যবোধ আছিল পণ্ডিত্যৰো ওপৰত।

উদ্দলাক তথা আৰুণি পৰৱৰ্তী কালত এগৰাকী খ্যাতিমান গুৰু তথা ঋষি হিচাপে খ্যাত হৈছিল।

জানিব লগীয়া

১. 'খাজুৰাহো' চাবলৈ হ'লে কোনখন ৰাজ্যলৈ যাব লাগে ?

২. সৰু আৰু গাখীৰৰ মাজত ওজনত গধুৰ কি ?

৩. শিখসকলৰ পৱিত্ৰ ধৰ্মগ্ৰন্থৰ নাম কি ?

৪. ন'বেল বঁটা পোৱা সৰাতোকৈ কম বয়সীয়াজন কোন ?

৫. বলিয়া কুকুৰ-মেকুৰীয়ে কামুৰিলে যি বেজি দিয়া হয় সেই বেজিৰ আৱিষ্কাৰক কোন ?

৬. কোনখন দেশে পোন প্ৰথমে ক্যালেণ্ডাৰৰ প্ৰচলন কৰিছিল ?

৭ ১৩ খন দ্বীপত বিস্তৃত এখন নগৰক 'জল-নগৰী' বুলি কোৱা হয়। নগৰখনৰ নাম ?

৮. পেশ্বোৱাসকলৰ প্ৰথমগৰাকী পেশ্বোৱা কোন আছিল ?

৯. ৰোম নগৰী কোনখন নৈৰ পাৰত অৱস্থিত ?

১০. প্ৰথম মহাকাশযানৰ নাম কি ? সেই যান কেতিয়া মহাকাশলৈ পঠোৱা হৈছিল ?

১১. বাদুলিয়ে কিমান গতিৰে উৰিব পাৰে ?

১২. থাইল্যাণ্ডৰ প্ৰাচীন নাম কি আছিল ?

১৩. মাইকী কুলি চৰাইৰ বৰণ বেলেগ হয়। কোন বৰণৰ ?

১৪. তিমি পানীৰ তলত কিমান সময়লৈ থাকিব পাৰে ?

১৫. চীনদেশৰ মুদ্ৰাৰ নাম কি ?

জানক

১. মধ্য প্ৰদেশ।
২. গাখীৰ।
৩. আদিগ্ৰন্থ ('গ্ৰন্থ ছাহিব' বুলিও অভিহিত)।
৪. উইলিয়াম লৰেন্স ব্ৰ্যাগ।
৫. লুই পাস্তুৰ।
৬. মিছৰদেশ।
৭. ষ্টকহোম।
৮. বালাজী বিশ্বনাথ, তেওঁ ১৭১৩—২০ লৈকে শাসন কৰিছিল।
৯. টাইবাৰ নৈৰ তীৰত।
১০. স্পুটনিক, ১৯৫৭ চনত।
১১. ঘণ্টাত প্ৰায় ৬০ কিল'মিটাৰ।
১২. শ্যাম বা চিয়াম।
১৩. কপিলা বৰণৰ।
১৪. ২০ মিনিটলৈ।
১৫. য়ুৱান।

তিতা হাঁহি-মিঠা হাঁহি

হাঁহিলে টকা, নাহাঁহিলে সৌকা। ধনত শিতান দি থকা ধনৰামৰ আঁৰত ৰাইজে ধিকাৰ নোহোৱা বুলি কয়, যদিও আগত ধন-খুড়া বুলিয়েই মাতে। ধনৰামৰ চখ হ'ল—লোকক হাঁহিবলৈ ৰাধ্য কৰা। এক আজব চখ, কিন্তু যেনেকৈয়েই নহওক এই চখ তেওঁ পূৰাই আহিছে ইমান দিন ধৰি। হাঁহি-উঠা কথা কওক-নকওক, শ্ৰোতাই হাঁহিবই লাগিব, নহ'লে সৌকাৰ কোব খাব লাগিব।

এই কথাত ধনৰামৰ পৰিবাৰ টুনীৰ বৰ দুখ। টুনীৰ ভায়েক ভূষণেও জানে তাৰ ধনিক ভিনিহীয়েকৰ এই লেতেৰা চখৰ কথা। টুনীয়ে যেতিয়া ভায়েক ভূষণক ক'লে ধনৰামক যেনেতেনে শুধৰাবলৈ, তেতিয়া ভূষেণ উপায় এটা চিন্তিলে।

এদিন ভূষণ ধনৰামৰ ঘৰলৈ আহিল, ধনৰামেও ভূষণক আদৰি ল'লে। পাছত ইকথা-সিকথাৰ মাজত এই কথাও উঠিল যে ধনৰামে কাক কেনেকৈ জুলুম কৰি হঁহুৱালে। ধনৰামেই ক'লে এইবোৰ বাহাদুৰিৰ কথা।

ধনৰামৰ কথা ধৈৰ্য্য ধৰি শুনাৰ অন্তত ভূষণে ধনৰামক ক'লে, "তুমি যি কৈছা, শুনি কিন্তু মোৰ অলপো হাঁহি উঠা নাই ভিনদেও, বৰঞ্চ লাজহে লাগিছে।"

"শুনা, হাঁহি হ'ল—সৰ্বকলাৰ শ্ৰেষ্ঠ কলা। এই কলাৰ চৰ্চা সকলোটিৰ পক্ষে সম্ভৱ নহয়। মোৰ কথাৰ প্ৰমাণ লাগে যদি—কাইলৈ আমাৰ সভালৈ যাবা, চাবা, মোৰ কথা শুনি ৰাইজে কেনেকৈ হো হোৱাই হাঁহে।" ধনৰামে হাঁহিৰে ক'লে।

ভুবন কলিতা

পাছদিনা, সঁচাসঁচিকৈ সভা পতা হ'ল, আৰু ধনৰামৰ যেই-সেই কথাতো সমজুৱাই হো হোৱাই হাঁহিবলৈ ধৰিলে। এনে আচৰিত আচৰণত ভূষণে আচৰিত মানিলে। ঘৰলৈ ঘূৰি আহি ভনীয়েক টুনীক এনেকুৱা আচৰিত কাণ্ডৰ কাৰণ কি—বুলি সোধাত টুনীয়ে ক'লে, "নাহাঁহি উপায় কি সিহঁতৰ? যিজনে নাহাঁহিব, সেইজনেই সৌকাৰ কোব খাব। হাঁহি নুঠাৰ এই শাস্তি সিহঁতে ল'বই লাগিব।"

"তোমাৰ গিৰিয়েৰ বাৰু কোনোবা ৰজা-মহাৰজানে কি? সৌকাৰে কোবালে সকলোটি চুপ হৈ থাকিবনে?" ভূষণে বিস্ময় প্ৰকাশ কৰি সুধিলে।

"সভালৈ অহাহঁত—আটাইবিলাকেই হ'ল দুখীয়া-ভুকীয়া। তোমাৰ ভিন-দেউৱাই, সিহঁতক ধনেদি কিনি হৈছে। গতিকে—তেওঁ যি কয়—হাঁহি উঠক-নুঠক হাঁহিব লাগিবই। এই চৰ্ততহে তেওঁৰ সভালৈ আহিব লাগে, বহিব লাগে। এয়া হ'ল —ধনৰ ধমক।" টুনীয়ে টিঙত কোবালে।

পাছত ধনৰামক অকলশৰে পাই ভূষণে ক'লে, "মোৰ ধাৰণা—হাঁহি কি—তুমি তাকো নাজানা। তোমাৰ লগত থাকি তোমাৰ পৰিবাৰ আৰু তোমাৰ ঘৰুৱা কাম-বন কৰা মানুহজনো যে কিমান দুখী—তুমি জানানে বাৰু?"

"বাদ দিয়াহে সিহঁতৰ কথা। সিহঁত হ'ল গৰুৱাগালী-গৰুৱাগলা গজমূৰাবিধৰ উৰি-আপ্ৰাণী। মোৰ হা স্য ৰ স ৰ কথা সিহঁতে কি বুজিব? যিহঁতে বুজে, সিহঁতক সভাত দেখিলাই।" ধনৰামে ক'লে।

"সেইবোৰ তো ধনৰ খেল। সৌকাৰ সলনি ধনেদি কোবাই সিহঁতক হাঁহিবলৈ তুমি বাধ্য কৰিছা।" ভূষণে খাৰাংখাচ কৈ দিলে।

শুনি ধনৰাম কিছু শেঁতা পৰিল। ধনৰামে ক'লে, "অ'—থোৰৰ কথাটো তেন্তে—জানিলাই।" ধনৰাম ক্ষন্তেক-

মান ৰ'ল আৰু তাৰ পাছত পুনৰ কৈ উঠিল, "কিন্তু তুমি ধন দি ধিনদাওকৈ লোকক হাঁহুৰাব পাৰিবানে ?"

"মই হাঁহিব পাৰোঁ, হাঁহুৰাব নোৱাৰোঁ। আনক হাঁহুউৱা হ'ল—এক ডাঙৰ কলা। আমাৰ গাঁৱত চতুৰ নামৰ যুৱক এজন আছে, সি যেতিয়াই যিহকে কয়, মানুহে হাঁহে, হাঁহি হাঁহি বাগৰি পৰে।"

"হয়নে—?" ধনৰামে কৈ উঠিল, "ঠিক আছে, চতুৰক এতিয়াই মতাই আনিব লাগে।"

ভূষণৰপৰা খবৰ পাই চতুৰ আহিল। ধনৰামে চতুৰক ক'লে, "মোৰ খুলশালীয়েৰাই কোৱা মতে—তুমি বোলে লোকক হাঁহুউৱাত অদ্বিতীয়। তোমাৰ এই অদ্বিতীয় গুণৰ পৰীক্ষাৰ বাবেহে তোমাক মতাই অনালোঁ। কিন্তু—এই পৰীক্ষা—জানি থোৱা—কিঞ্চিত টান পৰীক্ষা হ'ব। সহিব পাৰিবানে ?"

শুনি চতুৰ হাঁহি উঠিল। হাঁহিয়েই থাকিল সি।

"কেলেইনো ইমানকৈ হাঁহিছা ?" ধনৰামে ভ্ৰু কোঁচাই চতুৰক সুধিলে।

"ভূষণ ডাঙৰীয়াই কৈছিল যে আপোনাৰ মুখৰপৰা ওলোৱা প্ৰতিষাৰ কথাতে হাঁহিৰ নিজৰা বোৱাব লাগে। মই ভাবিলোঁ যে এই কথাটোও হাঁহি-উঠা কথা, গতিকে ময়ো হাঁহিছোঁ।"





ক'ম, আপুনি তাত একো নক'ব।"

ধনৰামে চতুৰৰ চৰ্ত মানি ল'লে।

পাছদিনা সভাৰ আয়োজন কৰা হ'ল। ধনৰামৰ লৈতে ভূষণৰ বাজি মৰাৰ কথা কেনেবাকৈ ওলাই পৰিছিল, গতিকে আজিৰ সভালৈ ঢেৰ মানুহ গোট খাইছিলহি। সমজুৱাৰ আগত থিয় হৈ চতুৰে ক'বলৈ ধৰিলে :

"ৰাইজ, ঈশ্বৰে মোক হাঁহিবৰ আৰু হুঁহুৱাবৰো ক্ষমতা দিলে। হাঁহি হ'ল—নিৰমল আনন্দৰ নিজৰা। আৰু—আনন্দয়েই হেনো অৰ্ধ-শক্তি। কিন্তু এই কথাও কোৱা হয়, হাঁহিৰে কেতিয়াবা কেতিয়াবা নষ্ট-ভ্ৰষ্টও হেনো হয়। মই যদি সকলোকে হুঁহুৱাবলৈ চেষ্টা দিওঁ, দুই উপায়ে নষ্ট ভ্ৰষ্ট হ'ব পাৰে। এক : নগদ নাৰায়ণ যি পাইছিল, নাপাব পাৰে আৰু দুই : সৌকাৰ কোৰ খাব পাৰে। তাৰ অৰ্থ হ'ল এয়ে যে—মাৰ হাঁহন আপোনাসৰৰ কান্দোন। এয়া বৰ অনুচিত কথা। তাতকৈ মই নিজেই কান্দি থকাটো ভাল হ'ব, আৰু সেই দেখি, সকলোটিৰ হৈ সৌকাৰ সকলো কোৰ ময়েই খাম বুলি খাটাং কৰিছোঁ। অনুগ্ৰহ কৰি সমজুৱাৰ মাজৰ-পৰা কোনোবা এজন আহক, আৰু গন্তি

"অলপ বুজি-বাজি হাঁহিবা, তুমি বাৰু কোন কথা হাঁহি উঠা—কোন কথা হাঁহি নুঠা—নুবুজানে কি?" ধনৰামে গম্ভীৰ কণ্ঠেৰে চতুৰক সুধিলে।

ভূষণে ক'লে, "ভিনদেও, সভা পাতক, আৰু এই ঘোষণা কৰক যে চতুৰৰ কথা শুনি যিহঁতে নাহাঁহিব, সিহঁতক নগদ ধন দিয়া যাব আৰু যিহঁতে হাঁহিব সিহঁতক সৌক্যৰে কোবোৱা হ'ত। চতুৰে যে সকলোটিক হুঁহুৱাব সেই কথা মই বাজি মাৰি ক'ব পাৰোঁ।"

চতুৰে ধনৰামক ক'লে, "কিন্তু মহাশয়, মোৰ অনুৰোধ, মই যেতিয়ালৈকে

কৰক—সমজুৱাৰ সংখ্যা কিমান—সৌকাৰ কোব কিমান খাম মই।"

চতুৰে এনেকৈ ক'ব বুলি ধনৰামে কল্পনাও কৰিব পৰা নাছিল। সভাত কমেও তি নি শ মা ন মানুহ আছিল। কিছুমানে হাঁহিলেও চতুৰৰ ওপৰত সৌকাৰ কোব কম পৰিলহেঁতেন কিন্তু—চতুৰে এই কাম কিয় কৰিলে যে—ধামখুমীয়াত পৰা ধনৰামে তাৰ তলানলা ধৰিব নোৱাৰিলে।

তিমানতে সভাত ফুচফাচ কথাৰ গুঞ্জন উঠিছিল। লাহে লাহে ফুচফাচেই হৈ-হু ল স্থু ল হৈ উঠিল। আৰু হঠাৎ গোটেইখিনি সমজুৱাই একেলগে হো হো কৰে হাঁহি উঠিল।

তেতিয়া আচৰিত হৈ পৰা চতুৰে সমজুৱাক ক'লে, "ৰাইজ, মই হাঁহি-উঠা একো নৌকওঁতেই কিয় এই হাঁহিৰ হাই উঠিল ? কিয় হাঁহিলে আপোনালোকে ?"

সমজুৱাৰ মাজৰপৰা এজনে থিয় হৈ ক'লে, "আমি হাঁহিলে জনমূৰি মাত্ৰ এক কোব, না হাঁ হি লে — নিৰ্দোষ-নিজগৰ মানুহ এজনে খাব লাগিব যে কিমান কোব—! গতিকে আমি যুক্তিৰে চুক্তি কৰি মৰ-হাঁহনে হাঁহিলোঁ।"

শুনি ধনৰামৰ মুখখন এ কে বা ৰে বগা যেন তেজহীন হৈ পৰিল।

তেতিয়া চতুৰে সমজুৱাক কৈ আছিল, "মানৱতাৰ আগত যে ধনৰ ধমক কিমান তুচ্ছ—সেই কথা আৰু এবাৰ প্ৰমাণিত হ'ল। ধনৰাম মহোদয়ৰ মাজতো নিশ্চয় মানৱতা আছে, আৰু তেওঁ যে মোক দণ্ড নিদিব সেই কথাতো মই নিশ্চিত।"

জীৱনত প্ৰথমবাৰৰ বাবে ধনৰাম তলমূৰ হ'ল, আৰু মানৱতাৰ আগত মূৰ দোঁৱাই তিতা হাঁহি-মিঠা হাঁহিৰ প্ৰভেদ উপলব্ধি কৰি আগলৈ নিজক পৰিৱৰ্তিত কৰি সমাজত সংনামৰ অধিকাৰী হ'ল।

প্ৰধান শত্ৰু

খৰিকটীয়াৰ জীৱনত সুখৰ বা' কাচিৎহে বলে। খৰিকটীয়া যাদু আৰু যিনিমাৰ জীৱনতো নবলিল। সিহঁতহাল দুখীয়াৰো দুখীয়া, কিন্তু তথাপি একপ্ৰকাৰে সুখী, হাই নাই হুই নাই কাজিয়া নাই কন্দল নাই—খৰি বোটলে বেচে বস্তু কিনে ৰান্ধে-বাঢ়ে খায়—দিনটো কাটি যায়।

কিন্তু এদিন যেতিয়া সিহঁতহালৰ জুপুৰিঘৰৰ কাষত কিছুমান পকীঘৰ উঠিল, সিহঁতৰ মনত ঈৰ্ষা উপজিল।

ঘৈণীয়েক যিনিমাই গিৰিয়েক যাদুক ক'লে, "জগতৰ কিছুমান জনম-সুখী, আৰু কিছুমান জনম-দুখী, যেনে — আমি। আমাৰ ধন-ধান থকাহেঁতেন কিমান যে সুখতে জীৱন কটালোহেঁতেন?"

"মোৰ মত হ'ল—ধনিকহঁতো বৰ সুখী নহয়!" যাদুৱে যিনিমাক ক'লে।

"আগৰ দিনত হেনো দেৱ-দেৱী প্ৰত্যক্ষ হৈ আক-তাক বৰ-তৰ দিছিল। এতিয়াও তেনেকুৱাকৈ বৰ পোৱাহেঁতেন!"

যিনিমাৰ কথা নৌশেষ হওঁতেই আচম্বিতে দেৱী এগৰাকী সিহঁতহালৰ আগত আৱিৰ্ভূতা হ'ল, আৰু তেওঁ ক'লে, "মই দেৱী-ধনৱতী। তোমালোকক কি বৰ লাগে কোৱাঁ। কিন্তু মাত্ৰ তিনিটি বৰ মোৰ পৰা পাবা, তাতকৈ অধিক নোপোৱা।" এই বুলি কৈয়েই সেই দেৱী তৎক্ষণাৎ নোহোৱা হ'ল।

অলপ সময়লৈ তভক মাৰি থকাৰ অন্তত যিনিমাই লাহে লাহে ক'লে, "মোক যদি সোধা হয়—মই ক'ম—আমি ধনিক-হঁতৰ দৰে থকাকৈ বৰ খোজাহে ভাল।"

‘পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী’

"আৰে ৰ'চোন—ৰ'। ধনেই সুখ বুলি তোক কোনেনো কৈছে ? ধন বেছি হ'লে নানান অসুখ-অসুবিধাও আছে। যাক নিদিবি ধন তাৰ নাপাবি মন, আৰু ঘৰত হ'ব চোৰৰ বন—তাতকৈ আমাৰ আয়ুস দীঘলীয়া কৰাৰ বৰ খুজিলেহে ভাল।"

"দুখীয়াই দীঘলীয়া আয়ুসেৰে কি কৰিম ?" যিনিমাই ক'লে।

"ঠিক কৈছ।" যাদুৱে ক'লে, "ঠিক আছে, সঠিক বৰ খুজি লোৱা যাব।"

যিনিমাই ৰান্ধিবলৈ পাকঘৰলৈ গ'ল। তাই ক'লে, "এচ্! আজি কিছু মাছ পোৱাহেঁতেন মাছৰ খাৰ খালোহেঁতেন।"

আৰু লগে লগে ওপৰৰপৰা ভালেখিনি মাছ তললৈ সৰি পৰিল।

যাদুৱে কৈ উঠিল, "হাৰে যিনিমা, এটা বৰ দেখোন অথলেই গ'ল দেখিছোঁ। জীয়া মাছৰ সলনি মাছৰ খাৰ এধাৰ হ'লেও ডিঙিত পিন্ধিব পাৰিলেহেঁতেন।"

লগে লগে সেই মাছখিনি হাৰ এধাৰ হৈ যিনিমাৰ ডিঙিত লাগি ধৰিল।

"আপুনিও দেখোন আন এটা বৰ নিষ্ফল কৰি দিলে!" এই বুলি কৈ সেই হাৰ ডাল ডিঙিৰপৰা সোলোকাবলৈ চেষ্টা কৰিও সোলোকাই আনিব নোৱাৰিলে, গাৰ ছালত কাপ খাই লাগি থাকিল সেই মাছৰ হাৰ।

"এতিয়া কি হ'ব ?" যাদু অস্থিৰ হৈ উঠিল, "দেৱী হে! তুৰন্তে এই মাছৰ হাৰ সোলোকাই দিয়া!"

লগে লগে হাৰধাৰ গাৰ ছালৰপৰা এৰা খাই তললৈ সৰি পৰিল আৰু যিনিমাই স্বস্তি লভিলে।

এইদৰে যেতিয়া তৃতীয় বৰটোও নিষ্ফল হ'ল, তেতিয়া যাদুৱে যিনিমাক ক'লে, "আমাৰ আচল আৰু প্ৰধান শত্ৰু দুখ-দাৰিদ্ৰ্য নহয়, অশিক্ষাহে। সাজু হ, এই বয়সতো আমি লিখা-পঢ়াত ধৰিম।"




Say "Hello" to text books and friends
'Cause School days are here again
Have a great year and all the best
From Wobbit, Coon and the rest!


SUPER
RUBBER
It's time to go back to school again. Time for text
books. Time for games. Time to meet old friends.
And make new ones. Time to start studying
again. Because there's so much to learn about
the world around you.
From all of us here at Chandamama, have a
great year in school. And remember to tell us
what you've learnt everyday, when you
come home from school !
THE
HANDAMAMA
OLLECTION
ARTIG1246

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯৫ চনৰ অকটʼবাৰ মাহৰ সংখ্যাত প্ৰকাশিত হʼব।

A. Seethadevi

A. Seethadevi

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হʼব লাগিব আৰু শব্দকেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। প্ৰতিযোগিতা ‘কোন মাহৰ বাবে’ তাৰ উল্লেখ অৱশ্যেই থাকিব লাগিব। ১৯৯৫ চনৰ অগাস্ট মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ১০০ টকা পুৰস্কাৰ দিয়া হʼব।
* ফটো-নামকৰণ কেৱল পʼষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026

১৯৯৫ চনৰ জুন মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : পানী প্ৰকৃতিৰ বৰদান

দ্বিতীয় ফটো : পানীক নকৰিবা লোকচান

মঃ মুজাহিদ আলী, জেঙনিকটীয়া, শিৱসাগৰ-৭৮৫ ৬৪০, অসম

[পুৰস্কাৰৰ ১০০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হʼব।]

ভাৰতত বছৰেকীয়া বৰঙণি চান্দমামা ৬০.০০ টকা মাথোন

বৰঙণিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবসুৱা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা

তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক ঃ
অসমীয়া, হিন্দী. গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্.
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু
আৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙনি

অস্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে 117.00 ● উৰাজাহাজ-যোগে 264.00

ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা,
পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে 123.00 ● উৰাজাহাজ-যোগে 264.00

আপোনাৰ বৰঙণি বেৱল ডিমাণ্ড ড্ৰাফ্‌ট্ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক ঃ
ছাৰ্কুলেশ্যন মেনেজাৰ **চান্দমামা পাবলিকেশ্যনছ** চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০-০২৬

everest/94/PP/186-as